চান্দমামা

ছেপ্টেম্বৰ ১৯৯৬





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ডায়মণ্ড কমিক্সৰ নিবেদন

কাৰ্টুনিষ্ট প্ৰাণৰ বিখ্যাত চৰিত্ৰ কম্পিউটাৰতকৈ তীক্ষ্ণ বুদ্ধিসম্পন্ন আৰু তেওঁৰ লগৰীয়া জুপিটাৰ বাসী অসীম শক্তিশালী ছাবুৰ কাহিনী সকলো বয়সৰ পাঠকৰ মনত আনন্দ দি আহিছে।

চাচা চৌধুৰীৰ নতুন কমিক্স

চাচা চৌধুৰী আৰু দেৰাদুন এক্সপ্ৰেছ

-ঃ চাচা চৌধুৰীৰ আহিবলগীয়া কমিক্স ঃ-

অসহায়েকৰ বন্ধু, শয়তানৰ যম নিৰ্ভীক ফ্যাণ্টম গোটেই পৃথিবীত অন্যায়, অবিচাৰ আৰু নৃশংততাৰ বিৰোদ্ধেত যুজি আহিছে। গভীৰ হাবি বাস কৰিও তেওঁৰ কৰ্মক্ষেত্ৰ গোটেই দুনিয়াত বিয়পী আছে।
প্ৰকাশিত হৈছে ফ্যাণ্টমৰ লড়াইৰ গাশিয়ৰি উঠা কাহিনী

DIAMOND COMICS (PVT) LTD.

X-30, Okhla Industrial Area, (Phase-II) N. Delhi-20

SOLE DISTRIBUTORS: United Publishers, Pan Bazar Main Road, Guwahati-781001, Assam

চান্দমামা

ছেপটেম্বাৰ ১৯৭৬

এই সংখ্যাত আছে

শিক্ষাত সমতা	:	৭
বিশেষ ৰাতৰি	:	৯
পতন যতন আৰু ৰতন	:	১০
ৰূপধৰৰ যাত্ৰা	:	১৭
চান্দ-সম্বাদ	:	২৪
প্ৰকৃত শক্তি	:	২৫
হু-আঁচলীয়া	:	৩১
সাগৰৰ পাৰে পাৰে	:	৩৩
অন্নদানৰ মহিমা	:	৩৭
সোণালী হৰিণ	:	৪১
মহাভাৰত	:	৪৫
চান্দমামা-ক্ৰোড়পত্ৰ	:	৫৩
ভুমুকিবন্তীৰ পোহৰ	:	৫৭
নওৰঙী-বুধি	:	৬২
জগতৰ ভালেই আপোন-ভাল		৬৩
ফটো-প্ৰতিযোগিতা	:	৬৬

চান্দমামা : খনে : ৬'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৭২'০০ টকা মাথোন

"मेरि"
दुनिया भर की नारियों को, 31 से अधिक सालों से मनमोहक, खूबसूरत और मजबूत स्वर्णपट्टित ज़ेवरों से सँवार रहे हैं।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं।

जेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं। हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये। मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये। कृपया पत्रव्यवहार हिन्दी या अंगरेज़ी में ही करिये।

MERI GOLD COVERING WORKS
P.O. Box/1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513

ওলাল নতুন দৰব

বিনামূলীয়াকৈ ৭ দিনৰ দৰব লওক

বগা দাগ

দেহত ওলোৱা বগা দাগ — আমাৰ আৱিষ্কৃত এই নতুন দৰব ব্যৱহাৰেৰে — ৩৬ ঘণ্টাতে ৰঙা বা গুলপীয়া বৰণ ল'ব। তাৰ পাছত সেইবোৰ দাগ হ'ব ক'লা আৰু ক্ৰমে ক্ৰমে গাৰ ছালৰ স্বাভাৱিক বৰণ পাব।

অন্যান্য দৰবে আপোনাক যদি হতাশ কৰি তুলিছে, আমাৰ এই **'বিনামূল্যত দৰব-পৰীক্ষা'**ৰ আঁচনি মতে ৭ দিনৰ বাবে এই নতুন দৰব অনুগ্ৰহ কৰি পৰীক্ষা কৰি চাওক।

বেমাৰৰ পূৰ্ণ বিবৰণৰে সৈতে বেমাৰীৰ বয়স, দেহৰ কোন কোন ঠাইত বগা ওলাইছে, পুৰুষ / নাৰী ইত্যাদি লিখি পঠালেই আমি আপোনালৈ দৰব পঠাই দিম।

চুলি সৰা / চুলি পকা

আনকি অতি কম বয়সতো চুলি সৰিব পাৰে, পকিবও পাৰে। কিন্তু তাৰ কাৰণে আৰু চিন্তা নকৰিব।

ভাৰতীয় গছ-বিৰিখৰ শিপা, পাত, বাকলি, আৰু লতা আদিৰে আমি যি বনৌষধি তথা সোণসেৰীয়া ভস্ম প্ৰস্তুত কৰিছোঁ, তাৰে নিশ্চয় চুলি সৰা/চুলি পকাৰপৰা সম্পূৰ্ণ মুক্ত হ'ব পাৰিব।

যদি অন্যান্য বেমাৰো আপোনাৰ আছে, যেনে — স্মৃতিশক্তিৰ ক্ষীণতা, অত্যধিক শকত তথা মেদযুক্ত হোৱা আদিৰ অতি সুফলপ্ৰদ আৰু সফল চিকিৎসাৰ বাবেও আমাৰ সৈতে অৱশ্যেই যোগাযোগ কৰক।

শ্যাম আয়ুৰ্বেদ ভৱন

(SB-3) ডাকঘৰ: কাত্ৰিছৰাই (গয়া)-৮০৫১০৫, ☎ ফোন: ০৬১১২-৭৪৩১১

চান্দমামা

সংস্থাপক : চক্ৰপাণি   সঞ্চালক : বি নাগিৰেড্ডি

শিক্ষাত সমতা

অৱস্থা অদ্ভুতেই ! যিস্থলত কিছুমান বিশেষ স্কুলত ভৰ্তিৰ বিষয়ত হাহাকৰ, সিস্থলত ভালেমান স্কুলত ছাত্ৰ নোপোৱাৰ হাহাকাৰ ! আৰু ছাত্ৰ নোপোৱাৰ কাৰণে সিবোৰ স্কুলৰ শিক্ষকসকলৰ মাজতো হাহাকাৰ ! কিয়নো—স্কুলত শিক্ষকতাৰ চাকৰিটি বজায় ৰাখিবলৈ হলে যেনেকৈয়েই নহওক—ছাত্ৰ যোগাৰ কৰিবই লাগিব—এয়া হ'ল কৰ্তৃপক্ষীয় নিৰ্দেশ !

এই নিৰ্দেশসমূহনো কি ? যিকোনো শ্ৰেণী এখনত সৰ্বনিম্ন ৩২ জন ছাত্ৰ-ছাত্ৰী লাগে। যদি এই সংখ্যা ৫০লৈ যায়, তেনেহ'লে শ্ৰেণীত দুটা বিভাগ হ'ব ; যদি তাতোকৈ অধিক হয়, ছাত্ৰসংখ্যা যদি ৯০ হয়, তিনিটা বিভাগ হ'ব, আৰু অধিক হয় যদি—বিভাগো অধিক হ'ব। ১০০ ছাত্ৰ-ছাত্ৰী হ'লে চাৰিটা বিভাগ হ'ব লাগিব। এনেবোৰ স্কুলত চাৰিজন শিক্ষক, আৰু এজন প্ৰধান শিক্ষক থাকিব লাগিব। কিন্তু স্কুলত যদি ছাত্ৰসংখ্যা ১০০তকৈ কম হয়, তেনেবোৰ স্কুল অৰ্থকৰী নোহোৱাত বন্ধ কৰি দিয়া হ'ব পাৰে। আৰু লগতে চাৰিজন শিক্ষকৰো চাকৰি নোহোৱা হ'ব পাৰে ! গতিকে—এনেবোৰ স্কুলৰ শিক্ষকসকলৰ আচল কাম হ'ল যেনেকৈয়েই নহওক—ছাত্ৰৰ যোগান ধৰা আৰু নিজৰ চাকৰিটো বজায় ৰখা !

প্ৰশ্ন : যিবোৰ স্কুলত নাম লগোৱাৰ বাবে ছাত্ৰ-ছাত্ৰী ঠাহ খাই পৰে, সেইবোৰ স্কুলে যাতে কিছুমান ছাত্ৰ-ছাত্ৰী-ক অন্য স্কুললৈ পঠায়—তাৰ আইনগত ব্যৱস্থা কৰিব নোৱাৰিনে ?

আৰু—স্কুলীয়া শিক্ষা একেইবিধৰ—একেই পদ্ধতিৰে কৰি তুলিব নোৱাৰিনে ?

প্ৰকৃত উত্তৰ অভিভাৱকসকলে দিব পাৰে।

বছৰ : ২১   ছেপটেমবাৰ ১৯৯৬   সংখ্যা : ৬

খনে ৬'০০ টকা :: বছৰেকীয়া বৰঙনি ৭২'০০ টকা



JUST RELEASED

The first set of **Chandamama Books**, splendid in their content, illustrations, and production, is now ready.



Rs. 30/-



Rs. 40/-

Rs. 30/-

Rs. 30/-



Rs. 25/-

Rs. 30/-

Discount for members of **Chandamama Young Scholars Club.**

For details, write to :

CHANDAMAMA BOOKS
Chandamama Bldgs.
Vadapalani, Madras - 600 026.

বিশেষ বাতৰি

নতুন প্ৰধানমন্ত্ৰী

আমাৰ লোকসভাৰ ৫৪৬ খন আসনৰ বাবে সম্প্ৰতে নিৰ্বাচন অনুষ্ঠিত হৈ গ'ল; অসম, হৰিয়ানা, কেৰল, তামিলনাডু, পশ্চিমবঙ্গ আৰু কেন্দ্ৰ-শাসিত পণ্ডিচেৰীৰ বিধানসভাসমূহৰে সৰ্বমুঠ ৯১৪ খন আসনৰ নিৰ্বাচন হ'ল। কিছু কিছু অবাঞ্ছিত ঘটনাৰ বাহিৰে নিৰ্বাচন মোটামুটিভাবে শান্তিপূৰ্ণ আছিল বুলিয়েই ক'ব পাৰি। চাৰিখন ৰাজ্যতে আৰু লগতে কেন্দ্ৰ-শাসিত পণ্ডিচেৰীতো শাসক-কৰ্তৃপক্ষ পৰাজিত হ'ল, একমাত্ৰ পশ্চিমবংগত শাসক বামপন্থী দলেই পুনৰ বিজয়লাভ কৰিলে।



কেন্দ্ৰতো ,চৰকাৰ পৰিবৰ্তিত হ'ল। শাসক কংগ্ৰেছ-দলে ১৪০ খন আসনত বিজয়ী হ'ল, ভাৰতীয় জনতা পাৰ্টিয়ে কংগ্ৰেছতকৈ ২১ খন আসন অধিক পালে। কিন্তু কোনো দলেই আৱশ্যকীয় সংখ্যাগৰিষ্ঠ আসন সংখ্যা নোপোৱাত —'হ্যাং' পাৰ্ল্যামেণ্ট অৰ্থ্যাত 'ওলোম-ধোলোম' পাৰ্ল্যামেণ্টৰ সৃষ্টি হ'ল।

লোকসভাৰ এই নিৰ্বাচনত—জনতা দলে ৪৬, আৰু দুয়ো কমিউনিস্ট-দলে ৪৪খন আসন পাইছিল, আৰু সোতৰটি থলুৱা দলে আৰু নিৰ্দলে মিলাই ১৫৬ খন আসনত বিজয়ী হৈছিল।

ভাৰতীয় জনতা পাৰ্টিৰ নেতা শ্ৰীঅটলবিহাৰী বাজপেয়ীলৈ ৰাষ্ট্ৰপতিয়ে আহ্বান জনাইছিল চৰকাৰ গঠন কৰিবলৈ। পোন্ধৰ মে'ৰ দিনা ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম নেতা শ্ৰীঅটল-বিহাৰী বাজপেয়ীৰ নেতৃত্বত বি. জে. পি-য়ে চৰকাৰ গঠন কৰিছিল, কিন্তু সংসদত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব নোৱৰাত তেওঁ ইস্তফা দিলে। তেৰ দিনলৈ এই চৰকাৰ স্থিতি আছিল।

তাৰ পাছত জনতা দল, বাওঁপন্থী দল, আৰু প্ৰধান প্ৰধান থলুৱা দলৰ কিছুমানে একগোট হৈ 'ইউনাইটেড ফ্ৰণ্ট' গঠন কৰিলে আৰু এই ইউনাইটেড ফ্ৰণ্টে অধিক সংখ্যক সদস্যৰ সমৰ্থন আৰু কংগ্ৰেছৰ সমৰ্থনৰ আশ্বাসৰ ভিত্তিত চৰকাৰ গঠন কৰিলে।

এই ইউনাইটেড 'ফ্ৰণ্টৰ নেতৃত্ব দিয়াত— কৰ্নাটক ৰাজ্যৰ জনতা দলৰ মুখ্যমন্ত্ৰী শ্ৰী এইচ. ডি. দেৱেগৌড়া ডাঙৰীয়াক— ইউনাইটেড ফ্ৰণ্টে ফ্ৰণ্টৰ নেতা নিৰ্বাচিত কৰিলে। আৰু তাৰ পাছত এই ইউনাইটেড ফ্ৰণ্টৰ নেতা শ্ৰীএইচ. ডি. দেৱেগৌড়া-দেৱেই হ'ল আমাৰ দেশৰ নতুন প্ৰধানমন্ত্ৰী তথা ভাৰতৰ দ্বাদশতম প্ৰধানমন্ত্ৰী। তেওঁ জুন মাহৰ পহিলা তাৰিখৰপৰা ভাৰতৰ প্ৰধানমন্ত্ৰী পদৰ দায়িত্বভাৰ চম্ভালি আছে, আৰু শ্ৰী দেৱেগৌড়াই প্ৰকৃতপক্ষে এই এঘাৰ-দলীয় ইউনাইটেড ফ্ৰণ্ট চৰকাৰৰ নেতৃত্বদান কৰিছে।

শ্ৰীদেৱেগৌড়াদেৱৰ জন্ম ১৯৩৩ চনত, কৰ্নাটক এখন সাধাৰণ গাঁৱত। তেওঁ খেতিয়েক-পৰিয়ালৰ সন্তান। চিভিল এন্‌জিনিয়্যাৰিংত ডিপ্ল'মা লোৱাৰ পাছত তেওঁ কিছুদিন ঠিকাদাৰ হিচাপে জীৱিকা আৰ্জিছিল।

তাৰ পাছত ৰাজনীতিত যোগদান। ১৯৬২ চনত কংগ্ৰেছৰ বিধায়ক। ১৯৮৩ চনত কৰ্নাটকৰ কংগ্ৰেছ চৰকাৰত মন্ত্ৰীত্ব। ১৯৯১ চনত সমাজবাদী দলৰ সদস্যৰূপে হাছানৰপৰা লোকসভাৰ বাবে নিৰ্বাচিত। ১৯৯৪ চনত কৰ্নাটকৰ মুখ্যমন্ত্ৰীত্ব। তেওঁ সোতৰ মাহলৈ কৰ্নাটকৰ মুখ্যমন্ত্ৰীত্বৰ পদ চম্ভালিছিল। আৰু এতিয়া তেওঁ 'ইউনাইটেড ফ্ৰণ্ট'-গঠিত কেন্দ্ৰীয় চৰকাৰৰ হৈ ভাৰতৰ প্ৰধানমন্ত্ৰী।



পতন যতন আৰু ৰতন

নৱনীত নামৰ গাঁৱৰ নৰেশক বৰ ভাগ্যৱান বুলি সকলোৱে জানে আৰু মানে। তেওঁৰ মাটিও আছিল ঢেৰ, আৰু—নৰেশে যিহকে নকৰিছিল, ভাগ্যই লগ দিছিল।

এইখন গাঁৱতে গোপাল নামৰ মানুহ এজন আহিল, আৰু গাঁৱতে বসতি কৰিব ধৰিলে। এই মানুহজনৰ প্ৰতি দেৱী লখিমীৰ কৃপা বৰ দেখা নগ'ল, যদিও সৰস্বতীৰ কৃপাত গোপালে এমাহৰ ভিতৰতে গাঁৱৰ ল'ৰা-বুঢ়াৰ মন জয় কৰি পেলালে। গোপাল নামৰ মানুহজন যে প্ৰকৃততেই ভাল, মিঠামুখীয়া, সেই কথা গাঁৱৰ ঘৰে ঘৰে কোৱাকুই হৈ থাকিল।

গাঁৱৰ সদৌটিয়ে গোপালক ভাল পোৱা হ'ল কি হ'ল—নৰেশে কিন্তু গোপালক বেয়া পোৱা হ'ল। নৰেশক খাতিৰ-বাতিৰ নকৰা মানুহ গাঁৱতে নালাগে—আশ-কাষৰ দহোখন গাঁৱতো নোলাব; কিন্তু ক'ৰবাৰ কোনোবা ধুবুৰীৰপৰা অহা গোপাল নামৰ গাঁতৰ এন্দুৰ এটাৰ ইমানেই সাহ হ'লনে যে গাই গাই লগাটোহেন হৈও মাত-বোল কৰিবলৈ—বিনয়-বচন শুনাবলৈ নাহে!

কিন্তু আৰু কিছুদিনৰ অন্ততো যেতিয়া গোপাল নৰেশৰ কাষ নাচাপিল, তেতিয়া এশিকা দিবলৈ নৰেশেই গোপালক মতাই অনালে।

গোপালে মিঠাকৈ হাঁহি নৰেশক ক'লে, "ময়েই আপোনাৰ ওচৰলৈ আহা উচিত আছিল, আৰু আহিলোঁওহেঁতেন, কিন্তু তিমানতে আপুনিয়েই মতাই অনালে। মোক মতাই অনাৰ কাৰণ কি

নবীন ডেকা

—কথাটো শুধিব পাৰোঁনে ?"

"আত্মাভিমানী মানুহে কেতিয়াও আনৰ ওচৰলৈ নিজে যাব নোৱাৰে যে—জানো মই। আনকি দুৰ্দশাত পৰিলেও নাযায়। সেইহে মই নিজেই মতাই অনালোঁ।" ক্ষন্তেকমান ৰৈ নৰেশে পুনৰ ক'লে, "লাগিলে মোৰপৰা ধন—ধাৰ হিচাপে লৈ আপুনি আপোনাৰ বিদ্যাৰ উন্নতিৰ দৰেই—আৰ্থিক তথা জীৱিকাৰ উন্নতিও সাধিব পাৰে।"

গোপালে হাত যুৰি নৰেশক ক'লে, "মোৰ প্ৰতি থকা আপোনাৰ এই অযাচিত মৰমৰ কাৰণে আন্তৰিক কৃতজ্ঞতা জনাওঁ। কিন্তু—মই মোৰ নিজৰ ভাগ্যত যি আছে যি হৈছে—তাৰেই তুষ্ট।"

গোপাল তেওঁৰ পৰিবাৰৰ সৈতে ভাড়া-ঘৰতে আছিল। দুবছৰৰ অন্তত গোপালে নিজাকৈ ঘৰ এটা কিনি ল'লে, আৰু—দহ বছৰৰ অন্তত গোপালে—এই নৰনীত গাঁৱতে — ধনে-ধানে নৰেশৰ সমকক্ষ হৈ উঠিব পাৰিলে।

গোপালৰ মাজত এক বিশেষ গুণ আছিল—যিটি গুণ নৰেশৰ মাজত নাছিল। গোপালৰ আছিল পাণ্ডিত্যৰ খ্যাতি, আৰু এই পাণ্ডিত্যৰ যোগেদিয়েই গোপালে জোখে-জোখাৰে জীৱিকা আৰ্জিছিল।

গৈ গৈ গোপালৰ পাণ্ডিত্যৰ খ্যাতি এদিন দেশৰ ৰজাৰো কাণ ছুলেগৈ। আৰু

কিছুদিনৰ অন্তত দেশৰ ৰজাই এই গোপাল-পণ্ডিতক ৰাজধানীলৈ লৈ যাবলৈ দোলা এখন পঠাই দিলে।

গোপালক ৰাজধানীলৈ লৈ যাবলৈ দেশৰ ৰজাই দোলা পঠোৱাৰ কথা শুনি নৰেশ ৰঙা ক'লা তিনিবৰণীয়া পৰিল, আৰু যদিও গোপালৰ ৰাজধানী-যাত্ৰাত গাঁৱৰ ৰাইজ গোপাললৈ আনন্দ-বিদায় জনাবলৈ ঢপলিয়াই আহিল, অসুস্থতাৰ ছুতা কৰি নৰেশ মৰা হ'ল। খণ্ডতে ঘৰৰ দুৱাৰ মাৰি নৰেশ শুই থাকিল।

মহাৰাজে গোপাললৈ সাদৰ-সম্বৰ্দ্ধনা জ্ঞাপন কৰিলে। পাছত মহাৰাজে গোপাল-পণ্ডিতক ক'লে, "নৰনীত গাঁৱত কোনো ৰাজকীয় গ্ৰামাধিকাৰী নাই।

অন্য গ্ৰামৰ গ্ৰামাধিকাৰীয়েহে নৱনীত গাঁৱৰ চোৱা-চিঁতা কৰে। এতিয়াৰপৰা আপুনি এই দায়িত্ব লয় যদি—আমি অতি ভাল পাম।"

গোপালে অতি নম্ৰতাৰে ক'লে, "মহাৰাজ, শাসনৰ দায়িত্ব কঢ়িয়াবৰ যোগ্যতা মোত নাই। এই দায়িত্ব যদি—মোৰ পৰম প্ৰাজ্ঞ বন্ধু—নৱনীত গাঁৱৰ নৰেশক দিয়ে — আশা কৰোঁ গাঁৱৰ ৰাইজেও ভাল পাব, আপুনিও ভালেই পাব। নৰেশ ৰৰ ভাগ্যৱন্ত, তেওঁৰ যহতে গাঁৱৰ ৰাইজও ভাগ্যৱান হ'ব।"

মহাৰাজে গোপালৰ প্ৰস্তাৱত সন্মতি দিলে। তেওঁ নৱনীত গাঁৱৰ গ্ৰামাধ্যক্ষ-ৰূপে নৰেশৰ নামত নিযুক্তি-পত্ৰ লিখি গোপালৰ হাতত দিলে।

গোপাল গাঁৱলৈ ওভতাৰ আগতেই গোপালৰ চুপাৰিশক্ৰমে মহাৰাজে নৰেশক গ্ৰামাধ্যক্ষ পতাৰ কথা সহস্ৰকাণ হৈ পৰিল। কিন্তু এই কথাত নৰেশতকৈ গোপালৰ নামতহে যেনিবা অধিক জয়ধ্বনি উঠিল। কিছুমানে এই মন্তব্যও কৰিলে: যি হ'ল ভালেই হ'ল, পিছে—গোপালদেউ গ্ৰামাধ্যক্ষ হোৱাহেঁতেন কিজানি অধিক ভাল হ'লহেঁতেন।"

ৰাজধানীৰপৰা উভতি গোপালে নৰেশক ৰাজকীয় নিযুক্তি-পত্ৰখন দিলে আৰু ক'লে, "মোৰ প্ৰিয়ম বন্ধুৰে ৰাজকীয় সন্মান পোৱাত—মই গৰ্বিত।"

নৰেশেও এই প্ৰথমবাৰৰ বাবে গোপালৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলে।

মহাৰাজ দিন-প্ৰতি দিন ক্ৰমাত অধিককৈ গোপালৰ পাণ্ডিত্যৰ প্ৰতি আকৰ্ষিত হৈ থাকিল। মহাৰাজৰপৰা আহ্বান পাই গোপালও ঘনেপতি ৰাজধানীলৈ গৈ থাকিল আৰু গোপালৰ প্ৰতি নৰেশৰ ঈৰ্ষা বাঢ়ি থাকিল।

এদিন গোপালে—গ্ৰামাধ্যক্ষৰ কাৰ্য্যত অৱহেলালৈ নৰেশৰ দৃষ্টি আকৰ্ষণ কৰিলে কৰিলে আৰু ক'লে, "বন্ধু, কৰ্তব্যত এদিন-একমুহূৰ্তও ঢিলাই দিলেই অথন্তৰৰ সৃষ্টি হয় যে—সেই বিশেষ কথাটো সদায় মনত ৰাখিবা।"

নৰেশে চকু ৰঙা কৰি গোপাললৈ চাই ক'লে, "শুনা, মোৰ কামত হস্তক্ষেপ কৰাটো—মোৰ পক্ষে অপমানকৰ। যদি আগলৈ এনেবোৰ কথা কৈছা, মই তৎক্ষণাৎ গ্ৰামাধ্যক্ষৰ পদত ইস্তফা দিম। মই গ্ৰামাধ্যক্ষ, গাঁৱৰ কি ভাল কি বেয়া সেয়া তোমাৰ ভাবিবলগীয়া নহয়। নিজৰ পণ্ডিতালিৰে সৈতে মছগুল হৈ থাকা, আনৰ কামত ঘোদালিবলৈ নাহিবা।"

এই ঘটনাৰ পাছৰপৰা গোপালৰ সৈতে নৰেশৰ মত-পাৰ্থক্য ক্ৰমাত বাঢ়ি গৈ থাকিল। নে নানান কথাত গোপালক আওপা জলা-কলা কৰিবলৈ ধৰিলে। যেনে- গোপালৰ খেতি-মাটিৰ কৰ-কাটল হঠাৎ বাঢ়ি গ'ল, গোপালৰ ঘৰৰ চাৰিসীমা আনৰ মাটি সোমাই আছে বুলি কোৱা হ'ল—ইত্যাদি।

এইবোৰ-এনেবোৰ হোৱা সত্ত্বেও গোপাল কিছুদিনলৈ মনে মনে থাকিল। কিন্তু অৱস্থাই — নৰেশৰ আওপকীয়া অত্যাচাৰ যেতিয়া অতিচৰীয়া হৈ উঠিল, তেতিয়া অসহনি হৈ গোপালে নৰেশৰ এইবোৰ কথা মহাৰাজক ক'লে।

মহাৰাজে নৰেশলৈ সতৰ্কবাণী পঠালে। নৰেশে যে মহাৰাজক গোপালৰ দোষ-জগৰৰ কথা ভাল-পাত জোৰা লগাই ক'ব —তাৰো উপায় নাই — হয়তো হিতে বিপৰীতহে হ'ব। আৰু — অন্যায় যে নিজৰ—সেই কথাটোতো নৰেশে নজনা নহয়। গতিকে—মহাৰাজৰপৰা সতৰ্কবাণী পায়ো নৰেশে গোপালৰ নামত একো অভিযোগ দাঙি ধৰিব নোৱাৰিলে।

কিন্তু গোপালৰ প্ৰতি নৰেশৰ আক্ৰোহ ক্ৰমাত বাঢ়ি গৈ থাকিল।

ঠিক এনেতে নৰনীত গাঁৱত বিশ্বম্ভৰ নামৰ এগৰাকী মহিমাৱান সাধু আহিল। হিমালয়ত একেৰাহে পঁচিছ বছৰ কাল তপস্যা কৰি এওঁ মহাশক্তিময় অলৌকিকত্ব প্ৰাপ্ত হৈছে। বিশ্বম্ভৰ সাধুৱে সপ্তাহত এদিন যেৱে যি মনস্কাম কৰে পূৰাই দিয়ে।

নৰেশে এই সুযোগত সাধুৰদ্বাৰাই নিজৰ কাম হাছিল কৰাৰ আঁচনি পাতি বিশ্বম্ভৰ সাধুৰ কাষ চাপিল আৰু মহাৰাজৰ মনত তাৰ প্ৰতি প্ৰেম হোৱাৰ বৰ সাধুৰপৰা প্ৰাৰ্থনা কৰিলে।

বিশ্বম্ভৰ সাধুৱে নৰেশক তাৰ প্ৰাৰ্থিত বৰ দান কৰিলে আৰু মহাৰাজো হঠাৎ নৰেশৰ প্ৰতি প্ৰসন্ন হৈ উঠিল। এতিয়া নৰেশক পায় কোনে? ৰজাই ভাল পালে ঢেঁকী-পখালি নালাগে। বিশ্বম্ভৰ সাধুৰ মন্ত্ৰই ইমান গুণ দিব বুলি নৰেশে কল্পনাও কৰিব পৰা নাছিল। নৰেশে অনায়াসে ৰজাৰ লগত হাল-লগ কৰি কৰি নিশ্চিন্ত হ'ল যে—এইবাৰ গোপালৰ পণ্ডিতালি গুচাই তাক গিৰী নোহোৱা গৰু এটা কৰাত আৰু বাধা নাই।

এদিন নৰেশে মহাৰাজক ক'লে, "মহাৰাজ, পণ্ডিতহঁতৰ জীৱনত অতি সামান্য বস্তুৰহে প্ৰয়োজন; কিন্তু সামান্য-হঁতৰ জীৱনত প্ৰয়োজন অধিক। গতিকে —পণ্ডিতহঁতৰ প্ৰতি দৃষ্টি দান নকৰাকৈ— ৰাইজৰ প্ৰতি দৃষ্টিপাতেই কিজানি মহাৰাজৰ পক্ষে শুভপ্ৰদ হ'ব।"

আৰু নৰেশৰ পৰামৰ্শমতে মহাৰাজে অন্যান্য পণ্ডিতৰ লগে লগে গোপালৈলে পঠোৱা আৰ্থিক উপহাৰো বন্ধ কৰি দিলে; যদিও— ইয়াৰ আগতে গোপালৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগ মহাৰাজে নাকচ কৰি দিছিল।

গোপাল আছিল দানী স্বভাৱৰ ব্যক্তি। ৰজাৰপৰা পোৱা কি আৰ্থিক কি অন্যান্য উপহাৰ-সামগ্ৰী — গোপালে সাধাৰণতঃ বিলাই দিছিল। কিন্তু হঠাৎ মহাৰাজে এইবোৰ দান-অনুদান উপহাৰ-উপঢৌকন বন্ধ কৰি দিয়াত গোপাল পণ্ডিত হঠাৎ

অতিশয় নিঃকিন হৈ পৰিল।

গোপাল পণ্ডিতৰ শুভাৰ্থী কিছুমানে গোপালক বিশ্বম্ভৰ সাধুৰ কাষ চাপিবলৈ কোৱাত গোপালে হাঁহিলে মাথোন, সাধুৰ ওচৰলৈ নগ'ল। কিন্তু এই পৰিস্থিতিত কি কৰা কৰ্তব্য—তাকো ভাবি উলিয়াব নোৱৰা হ'ল।

তাৰ পাছত—ভাবি ভাবি গোপাল-পণ্ডিত মহাৰাজৰ মহামন্ত্ৰীৰ দ্বাৰস্থ হ'ল। মহামন্ত্ৰীও গোপালৰ গুণমুগ্ধ আছিল। গোপালে এখিলা কাগজত কিবাকিবি লিখি মহামন্ত্ৰীৰ হাতত দিলে আৰু তেওঁক ক'লে, "এইখিনি কথা মই লিখা বুলি মহাৰাজক নক'ব। এই কাগজখিলাত মই যি লিখিলোঁ—তাৰ সাৰমৰ্ম হ'ল যে—পণ্ডিতসকলৰপৰা সাধাৰণ মানুহ যথেষ্ট লাভৱান হয়, গতিকে—পণ্ডিতসকলৰ প্ৰয়োজনৰ পৰিপূৰণ কৰাটো দেশৰ ৰজাৰ কৰ্তব্য তথা ধৰ্ম। —এইখিনি আপুনিয়েই মহাৰাজক পঢ়ি শুনাব, যেনিবা—কথাখিনি আপোনাৰহে কথা।"

মহাৰাজে মহামন্ত্ৰীৰ পঠন আৰু কথন মনযোগেৰে সৈতেই শুনিলে, আৰু পাছত দেশৰ প্ৰতিখন গাঁৱতে এগৰাকীকৈ পণ্ডিতক নিযুক্তিৰ আদেশ জাৰী কৰিলে। মহাৰাজে তেওঁৰ আদেশত আৰু ক'লে যে — যিগৰাকী পণ্ডিতে গ্ৰামাধ্যক্ষৰ হতুৰাই বিবৰণ পঠাব — সেইগৰাকী

পণ্ডিতে কিঞ্চিত অধিক প্ৰাধান্য পাব।

আৰু ইতিমধ্যে গোপালপণ্ডিত এদিন সাধু-বিশ্বম্ভৰৰ কাষ চাপি বিশ্বম্ভৰক নিজৰ সমস্যাৰ কথা ভাঙি-পাতি ক'লে।

বিশ্বম্ভৰে গোপালপণ্ডিক কিবা কথা সুধিবলৈ লওঁতেই তাত নৰেশ উপস্থিত হ'লহি, আৰু ক'লে, "হে মহাত্মা, এই মানুহজনৰ কিন্তু আপোনাৰ ওপৰত কোনো বিশ্বাস নাই। এওঁ আত্ম-স্বাৰ্থৰ বাবেহে আপোনাৰ কাষ চাপিছেহি।

বিশ্বম্ভৰ সাধুৱে ক'লে, "সকলোটিয়েই আত্মস্বাৰ্থতেহে মোৰ কাষ চাপে। আৰু —কোনে কি কাৰণে মোৰ কাষ চাপে—সেয়া মোৰ বিবেচ্য নহয়; মোৰ বিবেচ্য হ'ল মানুহজনৰ ইচ্ছাপূৰণ।" তাৰ পাছত

যেতিয়া নৰেশ গ'লগৈ, তেতিয়া সাধু বিশ্বম্ভৰে গোপালক ক'লে, "বোপা. তোমাক যি লাগে—মনত ভাবি থাকা —তুমি নিশ্চয় পাই যাবা।"

গোপালে ৰাজ-পণ্ডিত হোৱাৰ কথা মনত ভাবি থাকিল। আৰু পাছমুহূৰ্ততে নৰেশ পুনৰ তালৈ আহিল, আৰু গোপালে যাতে একোপধ্যে ৰাজপণ্ডিত হ'ব নোৱাৰে—তাৰ বাবে সাধুৰপৰা বৰ খুজিলে।

কিন্তু সাধু বিশ্বম্ভৰক নৰেশে সুধিলে, "হে মহাত্মা, যদি পৰস্পৰবিৰোধী ইচ্ছাৰো আপুনি পূৰণ কৰে—তেনে প্ৰতি কাৰ ইচ্ছা পূৰণ হ'ব ?

"তেনে ক্ষেত্ৰত মাত্ৰ এজনৰহে ইচ্ছা পূৰণ হ'ব, আৰু আনজনৰ হ'ব—পতন।" সাধুৱে ক'লে।

সাধুৰ উত্তৰত নৰেশৰ আশা হ'ল যে নিশ্চয় গোপালৰহে পতন হ'ব।

কিন্তু সাতদিনৰ অন্তত গোপালৰ ৰাজপণ্ডিত পদত নিযুক্তিৰ বাতৰি পাই নৰেশ বিৰস হ'ল আৰু তেওঁ দৌৰি দৌৰি সাধুৰ ওচৰলৈ গ'ল। নৰেশে সাধু বিশ্বম্ভৰক গোপালৰ সৌভাগ্যৰ কথা বিবৰিলে, আৰু তাৰ পাছত তেওঁ সাধুক সুধিলে "হে মহাত্মা, শুনিলোঁ—গোপালেও আপোনাৰপৰা বৰ পালে। তেনেহ'লে —মোৰেই পতন হ'বনে ?

সাধু বিশ্বম্ভৰে হাঁহি হাঁহি ক'লে, "আনৰ পতনলৈ যতন নকৰিলেহে নিজৰ বাবে ৰতন বিচাৰি পাবা।—আনৰ অনিষ্ট চিন্তাকাৰীয়ে কেতিয়াও আপোন ইচ্ছা-পূৰণ নোহোৱালৈ চিন্তা কৰিলা বুলিহে তোমাৰ ইচ্ছা পূৰণ নহ'ল। তোমাৰ চিন্তা-পদ্ধতি সম্পূৰ্ণ সলাই দিয়া, নহ'লে সদায়েই তুমি আপোনাৰ সূতাৰে আপুনি বদ্ধ হ'বা।"

এই ঘটনাৰ পাছৰপৰা নৰেশে নপুংসকৰ পুংসবন কৰি নিজক প্ৰকৃত নামজ্বলা কৰিব পৰা হৈছিল।

১৩

[আগৰ কথা : ঘৰত খলি পুতি থকা দুষ্ট ৰাজকোঁৱৰহঁতৰ অতিচাৰ-অত্যাচাৰ সহিব নোৱাৰি এদিন ৰূপধৰ-পুত্ৰ ধীৰধৰে তাৰ পিতৃ ৰূপধৰক বিচাৰি সমুদ্ৰৰ বুকুত নাও মেলি দিলে আৰু বদমাছহঁতৰ কথা ভাবি ভাবি ধীৰধৰে সমুদ্ৰৰ উত্তাল ঢৌৰ সৈতে যুঁজি যুঁজি ভাগৰি পৰিও ক্লান্ত-ক্ষান্ত নহৈ অৱশেষত নৰস্মোত আৰু প্ৰতাপৰ ৰাজ্য পালেগৈ। আৰু তাৰ পাছত···]

ইপিনে—ইথাকাৰ ঘৰত তেতিয়া মহা হৈ-হলস্থূল লাগি পৰিছে বদমাছৰো বদমাছ ৰাজকোঁৱৰহঁতৰ মাজত। সিহঁতে ৰূপধৰৰ ঘৰত বহি ইচ্ছামতে মদ খাইছিল, জুৱা খেলিছিল, হৈ-হাল্লা কৰিছিল। কিন্তু—ৰূপধৰৰ পুত্ৰ ধীৰধৰে যে সিহঁতক খতম্ কৰিবৰ বাবে, নৌকাযোগে ওলাই পৰিছিল সেই কথাৰ ভু-ভা নাজানিছিল।

এদিন এই ৰাজকোঁৱৰহঁতৰ ওচৰলৈ আহিল এজন যুৱক। এইজন যুৱকে তাত জুৱা খেলি থকা এজন দুষ্ট ৰাজকোঁৱৰক সুধিলে, "ধীৰধৰ পৈলাছৰপৰা কোনদিনা উভতি আহিব— জানেনে? মোক মোৰ নাওখন লাগেই।"

ৰাজকোঁৱৰহঁতে চকু-ভুৰু কোঁচাই পৰস্পৰলৈ চালে। আৰু জুৱা খেলি থকা দুৰ্বুদ্ধি নামৰ ৰাজকোঁৱৰে এইজন যুৱকক সুধিলে, "পৈলাছ? ধীৰধৰ? —ধীৰধৰ

'ৰূপধৰৰ আত্ম-প্ৰকাশ'

বাস্তৱিকতেই পৈলাছলৈ গ'লনে? সি তোমাৰ নাওখন বাৰু তোমাক নোকোৱা-কৈয়েই লৈ গ'লনে? ধীৰধৰ পৈলাছলৈ যোৱা বুলি তোমাক কোনে ক'লে?" একে উশাহতে জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন কৰি দুৰ্বুদ্ধি ৰ'ল।

যুৱকে দুৰ্বুদ্ধিক ক'লে, "ধীৰধৰে মোৰ নাওখন মোক নোকোৱাকৈ লৈ যোৱা নাই, মোৰেপৰাই খুজি লৈ গ'ল। ইমান ডাঙৰ মানুহ এজনৰ পুত্ৰ — মই কেনেকৈনো নাইত হাত দিওঁ? আৰু— মোৰ নাও যে অক্ষত অৱস্থাতে ফিৰিব— সেই কথাতো মই নিঃচিন্ত। কিয়নো— নাওবোৰ লৈ গৈছে আমাৰ ইয়াৰ সুদক্ষ নাৱৰীয়াবিলাকে, আৰু লগতে আমাৰ বিখ্যাত নাৱৰীয়া সহনও আছে।"

শুনি দুৰ্বুদ্ধিৰ চকু ৰঙা হৈ উঠিল। দুৰ্বুদ্ধিয়ে নিজৰ অনুচৰহঁতলৈ চাই ক'লে, "ধীৰধৰক দেখাত যেনেকুৱা ভাতভাৰী যেন লাগে—আচলতে তেনেকুৱা নহ'বও পাৰে। আমি এই কথা পাহৰিলে নচলিব যে—সিদিনা সিয়েই এই ঠাইৰ মানন্তা-গণন্তাসকলক মাতি অনাক এথেকেচা দিছিল। গতিকে—সেই ভিজা মেকুৰীয়েই যে ভয়ানক বাঘটো হৈ নুঠিব—তাৰ মানে নাই। সি তাৰ লগত ভালেমান নাও আৰু নাৱৰীয়াকো লৈ ওলাইছে—উমান ল'ব পৰাটো বৰ টান নহয়। সি আমাক সিহঁতৰ ঘৰত আলহী নুপুহি যমৰ পুৰীত আলহী কৰিবৰ আঁচনি কৰি ওলাইছে বুলি আমি ভবাত দোষ নাই। গতিকে—তাক —ধীৰধৰক—ধীৰে-শাঁতে ভবা-চিন্তা কৰি খতম্ কৰাটোহে আমাৰ এতিয়া সৰ্বপ্ৰধান কাম হ'ব লাগে। আৰু এই বিষয়ে তোমালোকৰ মত কি?"

অন্যান্য ৰাজকোঁৱৰহঁতে এই বিষয়ে চমুকৈ নিজন মাজত আলচি-বিলচি— ধীৰধৰ-খতমৰ কামটো অতি যোগ্য দুৰ্বুদ্ধিৰ ওপৰতে সঁপিলে।

কিন্তু এই ষড়যন্ত্ৰৰ কথা ধীৰধৰ-পত্নী পদ্মমুখীৰ চাকৰ-নাকৰহঁতৰ কাণত নপৰাকৈ নাথাকিল। যদিও—ধীৰধৰ যে ঘৰত নাই—সমুদ্ৰপাৰ হৈ পৈলাছলৈ গ'ল —সেই কথা সিহঁতে তেতিয়ালৈকো নাজানে। গতিকে—এই ভয়ানক ষড়যন্ত্ৰৰ

কথা চাকৰ-নাকৰহঁতে পদ্মমুখী ক'লে।

এনেহেন ভয়ানক ষড়যন্ত্ৰৰ কথা শুনি পদ্মমুখী ভয়তে কঁপি উঠিল। পদ্মমুখীয়ে কান্দি কান্দি কৈ থাকিল, "ঘৰত ইমান কাম-বন কৰা মানুহ, পিছে মোৰনো কি লাভ? ধীৰধৰ যে কেতিয়া গ'ল—মাৰ হৈ ময়েই নাজানিলোঁ! জানাহেঁতেন মই তাক —মোৰেই পেটৰ পোৱালিক—মই যাবলৈ দিলোহেঁতেননে?"

সিফালৰপৰা ৰাজকোঁৱৰ এজনে ক্ৰন্দনৰতী পদ্মমুখীলৈ চাই কৈ উঠিল, নতুন দৰাই বিয়া কৰোৱাত দেৰি কৰিছে বুলিহে কইনাই কান্দি আছে। ইপিনে— পোহ তোলা পো-টি যে খৰ্তমৰ বাটত —খবৰেই নাই তাইৰ—হেঃ হেঃ হেঃ!"

"শুনা, তোমালোকে এই বিষয়ে কোনেও কোনো কথা ভুলে-পাহৰণেও মুখতো নানিবা। আৰু ধীৰধৰক খতম্ কৰাৰ আঁচনিৰ কথা আমাৰ বাহিৰে কাউৰীটোয়ো জানিব নালাগে।" গম্ভীৰ কণ্ঠেৰে দুৰ্বুদ্ধিয়ে ক'লে।

আৰু কিছু সময়ৰ অন্তত ভালেমান নাও গোটাই-পিটাই তৰোৱাল বৰছা কুঠাৰ ডেগাৰ আদি অস্ত্ৰ-শস্ত্ৰ লৈ ধীৰধৰক যেনেতেনে পাকৰাও কৰিবলৈ দুৰ্বুদ্ধি সদলে ওলাই পৰিল।

তেতিয়া ৰাতি পুৱাওঁ পুৱাওঁ। পুবে ধলফাট দিবলৈ তেতিয়াও দেৰী। ঠিক



এনে সময়তে দুৰ্বুদ্ধিহঁলে সাগৰীয় সৰু দ্বীপ এটাত ব'ল। যেয়ে যিপিনেদিয়েই যাওক—এই দ্বীপত লুকাই থকাই দেখা পাব, আৰু মন কৰিলে ধৰিবও পাৰিব। নাওবোৰ ডাঙৰ ডাঙৰ চটাচটে শিলবোৰ আঁৰত লুকুৱাই থৈ, দুৰ্বুদ্ধিয়ে তাৰ ভয়ংকৰ অনুচৰহঁতক লগত লৈ, বাঘৰ দৰে জোপ লৈ, ধীৰধৰলৈ বাট চাই লুকাই বহি থাকিল।

ইপিনে — প্ৰতাপৰপৰা বিদায় লৈ ধীৰধৰো পুনৰ ইথাকালৈ বুলি ৰাওনা হ'ল। সিহঁত কিন্তু সেই বাটেদি নগ'ল— যি-বাটত শেন-চকুৰা দুৰ্বুদ্ধিয়ে জোপ লৈ বহি আছিল। সহনৰ নিৰ্দেশত ধীৰধৰৰ নাওবিলাকে ওভোতা-যাত্ৰাত অন্য বাট

লৈছিল, অহা বাটেদি নগৈছিল আৰু সেইহে সিহঁত যমৰ আলহী নোহোৱাকৈ থাকিব পাৰিছিল।

ইথাকাৰ সমুদ্ৰতট পায়েই ধীৰধৰে সহনক ক'লে যে—সি সিহঁতৰ গাহৰি চৰাওঁতা নংক্ৰেমখুড়াৰ ওচৰলৈ যাব। কিন্তু তাৰ বিষয়ে—অৰ্থাৎ ধীৰধৰ উভতি আহিলনে নাই— সেই বিষয়ে মাক পদ্মমুখীৰ বাহিৰে আন কাকো একো ক'বলৈ মানা কৰিলে।

ধীৰধৰ নংক্ৰেমখুড়াৰ জুপুৰিলৈ আগ বাঢ়িল। আৰু সেই জুপুৰি পাওঁতে-নৌ-পাওঁতেই ভালেমান কুকুৰ একেলগে ধীৰধৰৰ গাত জঁপিয়াই পৰিল।

বৃদ্ধবেশী ৰূপধৰে নংক্ৰেমখুড়াক ক'লে, "কেনোবা আহি থকা যেন পাইছোঁ। নিশ্চয় তোমাৰ চিনাকিয়েই হ'ব। কিয়নো—কুকুৰবিলাকে যদিও মানুহজনক আগুৰি ধৰিছে, কিন্তু ভুকি থকা নাই, মানুহজনৰ লগত খেলিছেহে।"

তিমানতে ধীৰধৰ নংক্ৰেমখুড়াকৰ জুপুৰিৰ দুৱাৰমুখ পাইছিলহি।

নংক্ৰেমখুড়াই অগস্তক ধীৰধৰক দেখা পোৱা মাত্ৰেই বুকুত সারটি ল'লে, যেনিবা —তাৰ নিজৰ পুত্ৰহে সাতো সাগৰ পাৰ হৈ সুকলমে উভতি আহিল!

নংক্ৰেমখুড়াই ধীৰধৰক কৈ থাকিল, "উভতি আহিলানে বোপা? আৰু— আহিয়েই এই দুখীয়া বো দুখীয়াৰ জুপুৰীলৈ? পৈলাছৰপৰা তুমি কাহানি ঘূৰিলা? ভালই আছা নহয়?"

"পৈলাছৰপৰা পোনে-পোনেই তোমাৰ ওচৰলৈ আহিলোঁ, খুড়া। আমাৰ ঘৰৰ কথা—মই এতিয়াও খবৰ লোৱা নাই। মা ভালে আছেনে? কোনোবা দুষ্ট ৰাজকোঁৱৰে মাক বিয়া কৰোৱা নাই তো—?" ধীৰধৰে সুধিলে।

"নহয়, তেনেকুৱা কোনো ঘটনা ঘটা নাই।" নংক্ৰেম খুড়াকে ক'লে, "কিন্তু সেই মহাবদমাছহঁত যে কেতিয়া তোমা-লোকৰ ঘৰৰপৰা ওলাব—সেই কথাতহে তেওঁৰ মনত দুঃচিন্তা।"

ধীৰধৰ জুপুৰিৰ ভিতৰলৈ সোমাই অহাত

ৰূপধৰ বহাৰপৰা উঠি থিয় হ'ল। তেতিয়া ধীৰধৰে বৃদ্ধবেশী ৰূপধৰক ক'লে, "নালাগে উঠিব, বহা ঠাই আৰু আছেই নহয়—!"

ৰূপধৰ পুনৰ বহিল।

তাৰ পাছত ধীৰধৰে নংক্ৰেমখুড়াকক একাষৰীয়াকৈ মাতি নি সুধিলে, "খুড়া, এই বুঢ়া মানুহজননো কোন—?"

"বোপা, এওঁ হেনো বহু দেশ ভ্ৰমি বহুতো আলৈ-বিল পাৰ হৈ, এতিয়া আমাৰ ইথাকাৰ সাগৰতট পাইছেহি। কিবা এক ডাঙৰ দুৰ্ঘটনাৰপৰা কথমপি ৰক্ষা পাই—ইয়ালৈ আহিছে। এতিয়া এওঁক মই তোমাৰ হাতত সঁপিলোঁ—যি কৰা কৰিবা।"

"খুড়া, এওঁক মোৰ হাতত সঁপিছা যে —কিবা মোৰ পৰীক্ষাহে লৈছানে কি? এওঁক মই কেনেকৈনো আমাৰ নৰকহেন হৈ থকা ঘৰলৈ লৈ যাম—যিটো ঘৰত ঘৰভৰ্তি দুছমনেই ঠাহ খাই আছে? মই এইজন আলহীক—বৰ বেছি—বস্ত্ৰাদি দিব পাৰোঁ, পাদুকাও দিব পাৰোঁ, দিব পাৰোঁ তৰোৱাল বৰছা কুঠাৰাদি অস্ত্ৰ-শস্ত্ৰ; কিন্তু আন বিশেষ কোনো উপকাৰ কৰাৰ ক্ষমতা মোৰ—সচ্ছহতে নাই।—তাতকৈ এওঁ তোমাৰ ওচৰতে—তোমাৰ ঘৰতে থাকক, মই এওঁৰ কাৰণে খাদ্য-বস্ত্ৰ যি লাগে যত লাগে—পঠাই থাকিম। সেই বদমাছবোৰ বদমাছইঁতৰ লগত এওঁ নথকাই ভাল হ'ব।" ধীৰধৰ ৰ'ল। কিন্তু ক্ষন্তেকমানতে পুনৰ কৈ উঠিল, "খুড়া, তুৰন্তে আমাৰ ঘৰলৈ যোৱা, আৰু মাক কোৱাগৈ মই উভতি অহাৰ কথা। মই



তোমাৰ ঘৰতে আছোঁ। মাক ক'বা যে—তেওঁ মোৰ কাৰণে চিন্তিত নহয় যেন।"

নংক্ৰেমখুড়া তেতিয়াই ওলাই গ'ল, আৰু সেই ভগা-টুটা জুপুৰিত বহি থাকিল বৃদ্ধৰূপী ৰূপধৰ সৈতে পুত্ৰ ধীৰধৰ।

অকস্মাৎ সেই জুপুৰিৰ বাহিৰত এজোলোকা তীব্ৰ পোহৰ দেখা গ'ল, আৰু ৰূপধৰৰ দৃষ্টিৰ আগত দেৱী বুদ্ধিমতীয়ে দেখা দিলে। আৰু লগে লগে ৰূপধৰ জুপুৰিৰপৰা ওলাই আহিল।

তেতিয়া দেৱী বুদ্ধিমতীয়ে ৰূপধৰক ক'লে, "তুমি এতিয়াই নিজপুত্ৰক নিজ-পৰিচয় দিয়া, আৰু শত্ৰু সংহাৰৰ কামত লাগি পৰা। সিহঁতৰ চাউল টুটিবৰ হ'ল। ডৰ নকৰিবা, মই তোমালোকৰ লগত সদায় আছোঁ, সদায়েই থাকিম।" এই বুলি কৈ দেৱীয়ে এডাল সৰু লাঠিৰে ৰূপধৰক ছুলে, আৰু সেই বৃদ্ধৰূপী ৰূপধৰে মুহূৰ্ততে যুৱা ৰূপধৰৰ মূৰ্তি ল'লে।

ৰূপধৰে পুত্ৰ ধীৰধৰৰ ওচৰত আত্ম-পৰিচয় প্ৰদান কৰিলে। ধীৰধৰে ৰূপধৰৰ কথা-কাণ্ড দেখি বিস্ময়ত স্তব্ধ হৈ পৰিছিল। এইবাৰ ৰূপধৰৰ নিজৰ মুখৰপৰা দেৱী বুদ্ধিমতীৰ কাহিনী শুনি এনেহেন অদ্ভুত পৰিস্থিতিৰ যথাযথ মূল্যায়ন কৰিব পাৰি স্বস্তিৰ উশাহ ল'লে।

ৰূপধৰে সুধিলে, "সেই দুষ্ট-ধূৰ্ত-লোভী বাজকোঁৱৰহঁত সংখ্যাত কিমান ?"

ধীৰধৰে ক'লে, "এশ আঠজন। আৰু —সিহঁতৰ দহজন ভৃত্যও আছে। কিন্তু—ইমান মানুহক আমি মাত্ৰ দুজনে—খতম্ কৰিব—বা খেদিবও পাৰিমনে ?"

"দেখাত—আমি দুজন হয়; কিন্তু আমাৰ দেৱী বুদ্ধিমতী আছেই নহয় ? যি কি নহওক—মই যে ত্ৰয়যুদ্ধৰপৰা জীৱিত অৱস্থাত উভতি আহিছোঁ—সেই কথাটো কাকো নক'বা, আনকি তোমাৰ মাৰাকো নক'বা। এই কথাটো গুপ্ত ৰখাটো অতি দৰ্কাৰী। কেৱল আমি দুয়ো জানিলোঁ, এই জানাতে সীমাবদ্ধ ৰাখিব লাগিব।" ৰূপধৰে পুত্ৰ ধীৰধৰক ক'লে।

ইতিমধ্যে দুৰ্বুদ্ধিৰ নাওবিলাকো পুনৰ ইথাকা পাইছিলহি, আৰু ধীৰধৰৰ

পাল্লা নোপায়াত দুৰ্বুদ্ধিয়ে আৰু ৰাজ-কোঁৱৰহঁতক তাত বৰকৈ হৈ হৈ চেঙো চেঙো লগাইছিলহি। আৰু তেতিয়া তাত নংক্ৰেমখুড়াও কোনেও প্ৰায় নেদেখাকৈ এক প্ৰায় এন্ধাৰ চুকতে মমে মনে বৈ আছিল।

তাৰ পাছত—হৈ-হুলস্থুল যেতিয়া জামৰি আহিল, তেতিয়া দুৰ্বুদ্ধিয়ে উদ্বিগ্ন ৰাজকোঁৱৰহঁতক ক'লে, "এইবোৰ ধীৰধৰ —যেনেকৈয়েই নহওক—খোওঁতে পিছলা দিলে। কিন্তু আমি অতি শীঘ্ৰেই তাক খতম্ কৰিব পাৰিম যে—সেই কথা দেখ দেখ। কিন্তু আচলতে — এই ঠাইৰ ৰাইজো আমাৰ ওপৰত বিতুষ্ট হৈ উঠিছে। কেৱল ধীৰধৰক খতম্ কৰিলেই আমি খাজ-মাছ খাবলৈ নাপাম, এই ৰাইজ বোলা মহাশত্ৰুৰ কবলৰপৰাও সৰাৰ উপায় কৰিম—তেহে নিঃচিন্ত হ'ম। আমাৰ দৃঢ় পণ — পদ্মমুখীৰে আমাৰ মাজৰেপৰাই কাৰোবাক বিয়া কৰাবই লাগিব।" কন্তেকমানৰ নিৰৱতাৰ পাছত দুৰ্বুদ্ধিয়ে সকলোটিলৈ চাই পুনৰ ক'লে, "যদিহে কোনোবাই কিবা ক'বলগীয়া আছে—ইয়াতে এতিয়াই নিডৰে-নিৰভয়ে কৈ পেলাওক।"

ধীৰধৰক খতম্ কৰাৰ বিষয়ত কিছুমানে আপত্তি উত্থাপন কৰি ক'লে, "ধীৰধৰক খতম্ কৰাৰ আগতে—আমাৰ দেৱতাৰপৰা প্ৰত্যক্ষ অনুমতি তথা আদেশ লোৱাটো উচিত বুলি আমি ভাবোঁ। এই বিষয়ে খৰখেদাৰ আৱশ্যকতা নাই। ধীৰধৰ—এক বালক মাথোন, তাক ডৰাৱৰ ইমান দৰকাৰও নেদেখিছোঁ।"

এই কথাত ৰাজকোঁৱৰহঁতৰ প্ৰায় সকলোটিয়েই হয় কৰিলে।

আৰু সিহঁতৰ মাজত লুকাই বৈ থকা নংক্ৰেমখুড়াই এই বাতৰি কঢ়িয়াই লৈ যেতিয়া জুপুৰি পালেগৈ—তেতিয়া ৰূপধৰ আৰু ধীৰধৰ — পিতা-পুত্ৰই জুপুৰিতে টোপনিত লাল-কাল। [আগলৈ

মইনাৰ বাতৰি

সৰু নাৰত বৰ ভৰা!

আফ্ৰিকা মহাদেশত কিমান দেশ আছে? তুৰ্কমেনিস্তানৰ ৰাজধানীৰ নাম কি? উজবেকিস্থানে মুদ্ৰাক কি বুলি কয়? সম্প্ৰতে মুম্বাই প্ৰেছক্লাবত মণিকা মেননক সোধা প্ৰশ্নবিলাকৰ মাজত এইবোৰ আছিল অন্যতম। প্ৰায় এঘণ্টামান ধৰি এই প্ৰশ্নোত্তৰ-পৰ্ব চলিছিল, আৰু প্ৰশ্ন কৰা মাত্ৰেই মণিকাই লগে লগেই অকণো নভবাকৈয়েই উত্তৰ দিছিল, আৰু আটাইবোৰ উত্তৰেই হৈছিল সঠিক। পৃথিৱীৰ প্ৰায় ১৮৫ খন দেশৰ ৰাজধানীৰ নাম, সিবিলাক দেশৰ মুদ্ৰাৰ নাম — মণিকাৰ কণ্ঠস্থ তথা মস্তিষ্কস্থ। মণিকাৰ বয়সনো কিমান? মুঠেই পাঁচ। পাঁচ বছৰীয়া মণিকাই এইবোৰ প্ৰশ্নৰ উত্তৰ দিছে। মণিকাৰ মাতৃ বনজা মেননে মণিকাক এটা গ্লোব (মানচিত্ৰ) কিনি দিছে, আৰু প্ৰথমমান শ্ৰেণীত পঢ়া মণিকাই সেই গ্লোব অতি মনোযোগেৰে অধ্যয়ন কৰি আছে। আৰু ঘাইকৈ এই গ্লোবৰ সহায়তাৰেই পৃথিৱীৰ ইমানবোৰ দেশৰ ৰাজধানীৰ নাম জানিব পাৰিছে। মণিকাই হেনো সিহঁতৰ ঘৰত থকা বিশ্বকোষও পঢ়ি আছে। সৰুহঁতক গৰু বুলি নাভাবি সঠিকভাবে সহায় কৰিলে যে কি হয়—মণিকা তাৰ উজ্জ্বল প্ৰমাণ।

মেধা-সম্পদ!

'মেন্‌ছা' বা 'মেন্সা' হ'ল অধিক বুদ্ধিশালী সদস্যসকলৰ এক আন্তৰ্জাতিক সংস্থা। এই সংস্থাত কেৱল ইংল্যাণ্ডতে ৪০,০০০ সদস্য আছে। এই সংস্থাৰ সবাতোকৈ সৰু সদস্য হ'ল পশ্চিম ইংল্যাণ্ডৰ ৰিয়ান্নান পেৰিন। সদস্য হিচাপে লোৱাৰ আগতে পেৰিনৰ বুদ্ধিবৃত্তিৰ যি পৰীক্ষা লোৱা হৈছিল, সেই পৰীক্ষাত তাই উচ্চ স্থান লভিছিল। পেৰিনতকৈ দুগুণ বয়সীয়াই যি পঢ়িব পাৰিছিল, পেৰিনে তাতোকৈ অধিক পঢ়িব পাৰিছিল। কণমানি পেৰিন হ'ল নাৰ্ছাৰিৰ পঢ়ুৱৈ।

চীনা ভাষাবিদ পানী-কেঁচুৱা!

ডাং ডাং হ'ল দক্ষিণ-চীনৰ এক তিনি বছৰীয়া শিশু। চীনা ভাষাৰ ৩০০০ অক্ষৰ ডাং ডাঙে পঢ়িব পাৰিছে। আনকি ভালেমান যুক্তাক্ষৰো তাই পঢ়িব পাৰিছে। ডাং ডাং যেতিয়া বিছ-মহীয়া আছিল, তেতিয়া ২০০ পদ্য আৰু নাৰ্ছাৰি গীত অনায়াসে ক'ব-গাব পাৰিছিল। এতিয়া ডাং ডাঙে ১০,০০০ শব্দ অতি সহজভাবে আৰু অত্যন্ত বিশুদ্ধভাৱে লিখিব পৰা হৈছে। গতিকে ডাং ডাং যে 'ছাংহাই গিনিজ বুক অব্ ওৱাৰ্ল্ড ৰেকৰ্ডছ'ত অন্তভুক্ত হৈছে—সেই কথাত আচৰিত হ'বলগীয়া কিবা আছেনে?

একা-চেকা

হৰ্ষ বাত্ৰা হ'ল দিল্লীত পঢ়া অষ্টমমান শ্ৰেণীৰ ছাত্ৰ। সি প্ৰকৃতি পৰ্যবেক্ষণৰ কাৰণে 'পঞ্চবটী' নামৰ এই আঁচনি কৰিলে। প্ৰাকৃতিক-পৰিৰক্ষাৰ প্ৰতি শিশুহঁতৰ মন তথা দৃষ্টিক আকৃষ্ট কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰপৰা এক শিশু-সন্মিলনৰ আয়োজন কৰা হৈছে। আশীখন দেশৰপৰা এই সন্মিলনলৈ যোগদান কৰা বালক-বালিকাহঁতৰ মাজত ভাষণ দিওঁতে হৰ্ষই তাৰ 'পঞ্চবটী' আঁচনিৰ কথা প্ৰকাশ কৰিছিল। হৰ্ষৰ প্ৰস্তাৱ—এনেহেন প্ৰকৃতি-পৰ্যবেক্ষণ সংস্থা সকলো দেশতে প্ৰতিষ্ঠিত হওক, আৰু লগতে এই বিষয়ে সভা-সন্মিলনো পতা হওক। সাধাৰণতঃ এই বয়সত খেল-ধেমালি, টিভি আদিলৈহে বালকহঁত মত্ত হৈ থাকে, বৰ বেছি কমপিউটাৰলৈ কোনোবা-কুহুৰি আগ্ৰহী হয়। কিন্তু হৰ্ষই এইবোৰৰ কাষেদিও নাযায়; সি একা-চেকাই এদনীয়া হ'লেই প্ৰকৃতি-পৰ্যবেক্ষণৰ কামত মগ্ন হৈ পৰে।

প্ৰকৃত শক্তি

অদম্য ধৈৰ্য্য-সহ্যৰ প্ৰতিমূৰ্তি মহা কষ্ট-সহিষ্ণু ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰপৰা মৃতদেহটো নমাই আনি, নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। আৰু সেই মৃতদেহস্থ বেতালে কৈ থাকিল, "হে ৰজা, মোৰ ধাৰণা হৈছে যে—তুমি নিশ্চয় কিবা অতিমানৱীয়-অলৌকিক শক্তি অৰ্জনৰ অৰ্থে এনেহেন অমানুষিক শ্ৰম যুগ যুগ ধৰি কৰি আছা। কিন্তু এই কাৰ্য্যত সফলতাৰ সম্ভৱনা থাকিলেও সেই সফলতাই তোমাৰ জীৱনলৈ সুখ কঢ়িয়াই নানিবও পাৰে। উদাহৰণস্বৰূপে মই তোমাক ৰাজকুমাৰ হিমকৰৰ কাহিনী ক'ম। এই কাহিনী শুনী শুনি গৈ থাকিলে কমেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে:

'বেতাল-কথা'



গোদাৱৰী নৈৰ তীৰত সোমপুৰ নামৰ এখন ক্ষুদ্ৰ ৰাজ্য আছিল আৰু হিমকৰ আছিল এই ৰাজ্যৰ ৰাজকুমাৰ। হিমকৰ, সেনাধিপতিৰ পুত্ৰ ভদ্ৰবৰ্মা আৰু মন্ত্ৰী-পুত্ৰী মধুমতী—এই তিনিও আছিল পৰস্পৰৰ সৰুকালৰ বন্ধু। হিমকৰ আৰু ভদ্ৰবৰ্মাই গুৰুকুলত দহ বছৰলৈ শাস্ত্ৰাধ্যয়ন তথা বিভিন্ন বিদ্যাভ্যাস কৰিছিল। বিদ্যাভ্যাস সমাপ্ত হোৱাৰ অন্তত গুৰুৱে ৰাজকুমাৰ হিমকৰক আনৰ দেহলৈ প্ৰবেশ কৰি সেই দেহীৰ ইচ্ছা-অনিচ্ছা জ্ঞাত হোৱাৰ অৰ্থাৎ পৰকায়-প্ৰবেশ-বিদ্যা শিকাই দিছিল।

ৰাজপ্ৰাসাদৰ সন্মুখ ভাগত আছিল এক বিৰাট মুকলি-পথাৰ। তাত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

এবাৰ ইয়াত দৌৰৰ প্ৰতিযোগিতাত হিমকৰ পৰাজিত হৈছিল। বিজয়ী হৈছিল এজন অন্য ৰজাৰ কোঁৱৰ। আৰু হিমকৰ পৰাজিত হোৱাত এই ৰজাৰ কোঁৱৰটিয়ে কিঞ্চিত বিদ্ৰূপাত্মক কথা কৈছিল। হিমকৰে সেই কথাখিনিক পৰাজিতৰ বেথাৰূপে গ্ৰহণ কৰিছিল; কিন্তু ঠিক সেইদিনাই সেই ৰজাৰ কোঁৱৰক কিবা বিষাল কীটে দংশন কৰাত এমাহতকৈও অধিক দিনলৈ যন্ত্ৰণা ভুঞ্জিবলগীয়া হৈছিল।

আন এদিন হিমকৰ আৰু মধুমতীয়ে ৰাজ উদ্যানবনত ভ্ৰমি থাকোঁতে ৰাজবৈদ্যৰ পুত্ৰ তালৈ আহিছিল আৰু অৱাবতেই হিমকৰৰ সৈতে কাজিয়া কৰিছিল, আৰু ক্ৰুদ্ধ হৈ হিমকৰলৈ শিল দলিয়াইছিল। হিমকৰে একো কোৱা নাছিল বৈদ্যপুত্ৰক; কিন্তু পাছদিনা ঔষধিবৃক্ষ বিচাৰি আনোতে তাক সাপে খুটিছিল, যদিও পিতৃৰ সুচিকিৎসাৰ ফলত মৃত্যুপৰা কথমপি ৰেহাই পাইছিল।

মধুমতী দেখাত আছিল অসাধাৰণ সুন্দৰী। হিমকৰ আৰু ভদ্ৰবৰ্মা—দুয়োজনেই আছিল মধুমতীৰ প্ৰেম-প্ৰাৰ্থী। দুয়োজনেই ভাবিছিল যে মধুমতীয়ে তাকহে বিচাৰে।

এদিন আগবেলাতে তিনিও ৰাজকীয় ফলোদ্যানলৈ গ'ল। তেতিয়া আমৰ সময় নাছিল, যদিও—কথা অতি আচৰিতেই—

তথাপি সঁচা যে—এজোপা আমত এটা পকা আম ওলমি আছিল।

এই পকা আমটো খাবলৈ মধুমতীৰ বৰ ইচ্ছা হ'ল।

ভদ্ৰবৰ্মাই জাঁপ মাৰি গছত উঠিলগৈ। পাছত হিমকৰও উঠিল। হঠাৎ হিমকৰৰ দৃষ্টি পৰিল এটা মৃত ভাটৌ চৰাইলৈ, আৰু লগে লগে পৰকায়-প্ৰবেশ-বিদ্যাৰ সহায়ত হিমকৰে ভাটৌটোৰ মৃতদেহলৈ প্ৰবেশ কৰি, উৰি গৈ আমটো বুটলি লৈ তৎক্ষণাৎ মধুমতীক আনি দিলেহি।

গছৰেপৰাই ক্ৰুদ্ধ ভদ্ৰবৰ্মাই কৈ উঠিল, "ৰাজকুমাৰ, এয়া অন্যায় কথা। তুমি যে অলৌকিক শক্তিৰ সহায় ল'লা—সেয়া কাপুৰুষৰহে লক্ষণ।" এই বুলি কৈ, খঙতে একোনাই হৈ, ভদ্ৰবৰ্মা জাঁপ মাৰি তললৈ পৰিল, আৰু তাৰ ফলত তাৰ এখন ভৰিৰ হাড় ভাগিল। ভদ্ৰবৰ্মা তিনিমাহলৈ বিছনাত পৰি থাকিল।

আৰু এই ঘটনাৰ অন্তত হিমকৰৰ অস্থিৰ মনে স্থিৰতা পালে। ইমানদিন ধৰি অনিশ্চিত হৈ থকাৰ অন্তত হিমকৰ ৰাজকুমাৰে বুজি পালে যে তেওঁৰ মাজত নিশ্চিতৰূপতেই অলৌকিক শক্তি আছে আৰু সেই শক্তিয়েই তেওঁৰ বিৰুদ্ধবাদী-হঁতক দণ্ডদান কৰিছে। ৰাজকুমাৰ হিমকৰৰ এই ধাৰণা পৰিপুষ্ট হ'ল আন কেইবাটাও ঘটনাৰ ফলত। এই কথা সাঁচেকাটে প্ৰমাণিত হ'ল যে—হিমকৰৰ অনিষ্টকাৰীক অলৌকিক শক্তিয়ে মহাঅনিষ্ট কৰিব।

ৰাজকুমাৰ হিমকৰ তেতিয়া মধুমতীৰ প্ৰেমমত্ত। এই ঘটনা স্বয়ং মহাৰাজেও জানিছিল। এদিন মহাৰাজে পুত্ৰ হিমকৰক মতাই অনাই ক'লে, "মই তোমাৰ ৰাজ্যাভিষেক পাতিম বুলি স্থিৰ কৰিছোঁ। আৰু — একেলগেই তোমাৰ বিয়াখনো পাতিবৰ মন। মই এই বিষয়ে মহামন্ত্ৰীৰ সৈতে কথা পাতোঁনে ?"

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত ৰাজকুমাৰ হিমকৰে মিচিকীয়াই হাঁহিলে মাথোন। স্বয়ং পিতৃয়ে পুত্ৰৰ মনৰ ইচ্ছাৰ খবৰ ল'লে—আৰু সেইহে আন কোনোবা ৰজাৰ পুত্ৰীক বিবাহৰ কথা উত্থাপন

কৰাৰপৰা বিৰত থাকিল।

আৰু পাছদিনা মধুমতীক নৈৰ তীৰলৈ মতাই অনাই কথাটো ক'বলৈ লওঁতেই হঠাৎ ভদ্ৰবৰ্মাও তালৈ আহিল, আৰু তেতিয়া তিনিও নাও এখনত উঠি নৌকাবিহাৰ কৰি থাকিল। হিমকৰে মাৰত বহিয়েই কথাটো মধুমতীক ক'লে। ভদ্ৰবৰ্মা আছিল ক্ৰোধীস্বভাৱৰ। ভদ্ৰবৰ্মাই ক্ৰুদ্ধ মাতেৰে ক'লে, "হিমকৰ হ'ল ৰজাৰ কোঁৱৰ, গতিকে সি যি মন যায় তাকেই কৰিব পাৰে। ন্যায় হওক বা অন্যায়— ৰজাৰ কোঁৱৰ হৈ জনম ল'লে তাৰ নহয় কোনো অন্যায়—সকলো অন্যায়েই তাৰ ন্যায়।—মধুমতীক মই যে কিমান ভাল পাওঁ—সি নজনা নহয়। তথাপিনো সি কেনেকৈ তেনেহেন কাম কৰিব? এই কাৰ্য্যক মিত্ৰদ্ৰোহ বুলি কিনো কোৱা যায়?" ক্ষন্তেকমান ৰৈ, তাৰ পাছত ভদ্ৰবৰ্মাই হিমকৰক ক'লে, "তোমাৰ পিতাদেউ হ'ল ৰজা, মধুমতীৰ পিতাদেউ তেওঁৰ মন্ত্ৰী। এই সুবিধাখিনি লৈহে তুমি অন্যায়-সন্যায়ে স্বাৰ্থসিদ্ধি কৰিবলৈ লৈছা। তুমি ইমান নীচমনা বুলি জনা নাছিলোঁ, আজিহে জানিলোঁ। তথাপি কওঁ, যদি ক্ষাত্ৰ-ধৰ্ম মানা, তেনেহ'লে—মোৰে সৈতে দ্বন্দ্ব-যুদ্ধ কৰি মধুমতীক জিকি লোৱা।" ভদ্ৰবৰ্মই দ্বন্দ্বযুদ্ধলৈ আহ্বান জনালে।

মধুমতীয়ে যদিও সকলো দেখিলে আৰু শুনিলে, তথাপি তাই অদ্ভুতভাবে নিমাত-নিৰপেক্ষ হৈ থাকিল। তাইৰ ভাব হ'ল: যেনিবা এইবোৰ কথা-কাণ্ডৰ সৈতে তাইৰ কোনো সা-সম্পৰ্কয়েই নাই।

কিন্তু হিমকৰ উত্তেজিত নহ'ল। হিমকৰে নিজক শান্ত ৰখাৰ উপৰিও ভদ্ৰবৰ্মাক শান্ত কৰিবলৈ চেষ্টা কৰিলে। কিন্তু ভদ্ৰবৰ্মাই অতিপাত ক্ৰোধত থাপৰপৰা তৰোৱাল উলিয়াই আনিলে। হিমকৰে তাৰ অলৌকিক শক্তিৰে ভদ্ৰবৰ্মাৰ কিলাকুটিত ধৰি তাক ৰখালে, কিন্তু ভদ্ৰবৰ্মাই অধিক ক্ৰুদ্ধ হৈ হিমকৰৰ ওপৰলৈ জঁপিয়াই পৰাত নাও ডুবি গ'ল।

মধুমতীয়ে ঘূৰি চালে, আৰু অলপমান সাঁতুৰি পাৰত উঠিলে। ৰাজকুমাৰ হিমকৰ

আৰু মন্ত্ৰীকুমাৰ ভদ্ৰবৰ্মা পানীতে থাকিল হিমকৰে এই দুৰ্ঘটনাৰ বাবে ভদ্ৰবৰ্মাক দোষী বুলি সাব্যস্ত কৰিলে আৰু ভদ্ৰবৰ্মাক কিবা ক'বলৈ লওঁতেই ৰাজকুমাৰ হিমকৰে হঠাৎ অভাৱিতভাৱ নাৱৰ গুৰিৰঠাৰ খুন্দা খাই অচেতন হৈ পানীৰ বুকুতে বাগৰি পৰিল।

ৰাজকুমাৰ হিমকৰে যেতিয়া চেতনা ঘূৰাই পালে—তেতিয়া ভদ্ৰবৰ্মাই হিমকৰৰ পেটত চেপি ধৰি মুখৰপৰা পানী উলিয়াই অনাতহে ব্যস্ত হৈ আছিল। কাষতেই মধুমতী শিলৰ মূৰ্তিৰ দৰে থিয় হৈ আছিল। অলপ পাছত—হিমকৰ যেতিয়া উঠি বহিল, তেতিয়া ভদ্ৰবৰ্মাই হিমকৰলৈ এবাৰমাত্ৰ চায়েই একো নোকোৱাকৈ তাৰপৰা ওলাই গ'ল।

তেতিয়া মধুমতীয়ে হিমকৰক ক'লে, "তুমি যে ইমান ভাল সাঁতোৰ জানা, তথাপি খুন্দা খাই বেহুচঁ হৈ পানীত ডুবি পানী খালা! কিয় এনেকুৱা হ'ল—জানানে? ভদ্ৰবৰ্মাই মোক আগতেই এক ৰহস্যৰ কথা কৈছিল। তোমাৰ মাজত হেনো এক অলৌকিক শক্তি আছে—যি-শক্তিয়ে কেতিয়াবা ভাল কৰে, কেতিয়াবা বেয়াতকৈও বেয়া কৰে।"

ৰাজকুমাৰ হিমকৰে এই কথাৰ উত্তৰত কিবা এষাৰ কথাক'ব খুজিছিল, কিন্তু সেই কথাখিনি কৈয়েই মধুমতী হঠাৎ তাৰপৰা গুচি গৈছিল।

কিছু সময়ৰ অন্তত হিমকৰ ৰাজ-প্ৰাসাদলৈ গ'ল, আৰু গৈয়েই পিতাকক ক'লে, "হে পিতাশ্ৰী, মই ইমান সোন-

কালে বিয়া নকৰাওঁ, মই তাৰ আগতে দেশভ্ৰমণলৈ ওলাম।”

আৰু পিতাকৰপৰা অনুমতি পাই কাকো একো নোকোৱাকৈয়েই পাছ-দিনাই ৰাজকুমাৰ হিমকৰ দেশভ্ৰণলৈ বুলি ওলাই পৰিল।

ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, “হে ৰাজন্! অলৌকিক শক্তিৰ অধিকাৰী ৰাজকুমাৰ হিমকৰৰ এনে বিচিত্ৰ আচৰণৰ উদ্দেশ্য কি? মধুমতীক বিবাহ কৰাৰ ক্ষেত্ৰত হিমকৰে প্ৰকৃতাৰ্থত কোনো প্ৰকৃত বাধাৰ সন্মুখীন হোৱা নাছিল। তেন্তে? তেন্তে — ভদ্ৰবৰ্মাৰ ভয়তেহে ৰাজকুমাৰ হিমকৰে মধুমতীক বিবাহ কৰাৰপৰা আঁতৰি দেশভ্ৰমণলৈ ওলাইছিলনে? নে ভদ্ৰবৰ্মায়েই ৰাজকু মাৰক নৈৰ পানীত অচেতন হৈ ডুবি যোৱাৰপৰা ৰক্ষা কৰাত মতীক ত্যাগকৰি ভদ্ৰবৰ্মালৈ কৃতজ্ঞতা প্ৰদৰ্শন কৰিছিল? হিমকৰ-ভদ্ৰবৰ্মাৰ সকলো কথা সকলো বাৰ্তা জানিও যদি মোৰ প্ৰশ্নৰ সঠিক উত্তৰ নিদিয়া, তোমাৰ মূৰ ফাটি নিশ্চয়েই চাৰিফাল হ'ব।”

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, “ৰাজকুমাৰ হিমকৰৰ দৃঢ় বিশ্বাস আছিল অলৌকিক শক্তিয়ে ভদ্ৰবৰ্মাক নৈৰ পানীত ডুবাই মাৰিব। কিন্তু তাৰ সলনি যেতিয়া অলৌকিক শক্তিয়ে তেওঁকে ডুবালে, তেতিয়া অলৌকিক শক্তিৰ ওপৰত ৰাজকুমাৰ হিমকৰে বিশ্বাস হেৰুৱাইছিল, আৰু তেতিয়ালৈকো তেওঁৰ মাজত তথা প্ৰকৃত শক্তি লৌকিক শক্তিৰ বলত ৰক্ষাকৰ্ত্তা ভদ্ৰবৰ্মালৈ মধুমতীক উপহাৰ দি দেশ-ভ্ৰমণৰ নামত দেশ এৰি গুচি গৈছিল।”

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছজোপালৈ সাউতকৰে গ পুনৰ ওলমি থাকিল। [কল্পিত



দু-আঁচলীয়া

সীতাপুৰৰ সীতাৰামৰ ধাৰণা, বাচ্যাবাচ্যিত বা তৰ্কাতৰ্কিত তাৰ নিচিনা ক'তো-কাকো পাবলৈ নাই। কিন্তু গাঁৱৰ ৰাইজৰ ধাৰণা বেলেগ। ৰাইজৰ মতে বাচ্যাবাচ্যি —উখনা-উখনিত ৰাজাৰামক চেৰ পেলাব পৰাজন জনম ল'বলৈ আছে। দু-আঁচলীয়া বুলিলে—ৰাজাৰামতকৈও ডাঙৰ ? নাই।

ৰাইজৰ কথাত সীতাৰামৰ মনত চোট লাগিল। আৰু সেইহে চোটৰ চোটত সি এদিন ৰাজাৰামক পৰীক্ষা কৰি চোৱাৰ মনেৰে খেতি-পথাৰলৈ গৈ ৰাজাৰামক লগ কৰি ক'লে, "শুনা, ৰাজাৰাম, তোমাৰ ছাগলীবিলাকে প্ৰায় প্ৰতিদিনেই মোৰ খেতি-পথাৰত সোমাই ঘাঁহ-পাত খায়। এই বাবে তুমি জৰিমনা ভৰাব লাগিব। যদি নিদিয়া—মই গাঁওবুঢ়াক ক'মগৈ।"

"পশুবিলাকে ঘাঁহ-পাত খাবলৈহে চৰি ফুৰে। গতিকে —গাঁওবুঢ়াৰ ওচৰলৈ যোৱা, বা দেশৰ ৰজাৰ ওচৰলৈকে যোৱা—তোমাৰ অভিযোগৰ কোনো ভিত্তি নাই।"

ৰজাৰামে ঘূৰি চালে। গৰু কেইটামান চৰি ফুৰিছে। ৰাজাৰামে ক'লে, "গৰুৰ কথা হোৱা নাছিল, হৈছিল—ছাগলীৰ কথা। তাত দেখোন গৰুহে—।"

সীতাৰামে ক'লে, "আহাঁ মোল্লগত, তোমাক ছাগলিও দেখুৱাম।"

দুয়ো আগবাঢ়ি গ'ল। হয়, তাত গৰুবিলাকৰ মাজত এজনী ছাগলীও নথকা নহয়।

"কি হে, এতিয়া তো তুমি নিজেই দেখি আছা—"এই কথা কৈকৈ সীতাৰামে ছাগলীজনীক খেদি খেদি বেঙেনা আৰু

মগন মহন্ত

তিঁয়হ পুলিৰ ওচৰলৈ লৈ গ'ল। ছাগলী-জনীয়ে লগে লগে বেঙেনাপাত-তিঁয়হপাত চোবাবলৈ ধৰিলে। তেতিয়া সীতাৰামে গৰ্বৰে সৈতে ৰাজাৰামক সুধিলে, "এতিয়া কি ক'বা কোৱা।"

ৰাজাৰামে নিৰ্লিপ্ত ভাৱেৰে ক'লে, "মই মোৰ ছাগলীৰ কথাহে কৈছিলোঁ। এইজনী ছাগলী—মোৰ জানো ?"

ঠিক তেতিয়াই ৰাজাৰামৰ চাকৰ ল'ৰাটোৱে ৰাজাৰামৰ ছাগলীৰ জাকটো চৰণি পথাৰলৈ খেদি খেদি লৈ যাব ধৰিছিল। সীতাৰামে ৰাজাৰামক সুধিলে, "এইবোৰ তোমাৰ ছাগলী হয়নে নহয় ?"

ৰাজাৰামে গহীন মাতেৰে ক'লে, "হয়।"

সীতাৰামে ৰাজাৰামৰ চাকৰ ল'ৰাটোক সুধিলে, "হেৰা, কোৱাচোন, তোমালোকৰ ছাগলীবোৰে বেঙেনা, তিঁয়হ, উৰহী আদি খায়নে নেখায় ?"

চাকৰ ল'ৰাটোৱে ক'লে, "কেলেইনো নেখাব ? কথাতে বোলে —পাগলে কি নকয়, ছাগলীয়ে কি নাখায়। কপাহৰ বাহিৰে—ইহঁতে চব খায়।"

সীতাৰামৰ ইংগিতত ৰাজাৰামৰ চাকৰ ল'ৰাটোৱে ছাগলীবিলাকক সেই বেঙেনা আৰু তিঁয়হ পুলিৰ পিনে খেদি লৈ গ'ল আৰু ছাগলিবিলাকে ৰংমনে সেইবোৰ খাই থাকিল।

তেতিয়া সীতাৰামে ৰাজাৰামক সুধিলে, "এতিয়া কি ক'বা কোৱা।"

"মই সেই পিনে নাচাওঁ-নেদেখোঁ।"

"তেনেহ'লে—মোৰ কথা সঁচা বুলি মানিছা।" সীতাৰামে ক'লে।

"কেনেকৈনো মানিম ? মই নিজ চকুৰে নেদেখালৈকে যে একো নামানিম —তোমাক আগতেই ক'লোঁ নহয়—?"

তেতিয়া ৰাজাৰামৰ কথাত সীতাৰামৰ চৈতন্য হ'ল যে—এনেহেন কুতৰ্কীক একোপধ্যে হেৰুৱাব নোৱাৰি।

সীতাৰামে নিজেই পৰাজয় স্বীকাৰ কৰি ৰাজাৰামক প্ৰণাম কৰি গুচি গ'ল।

সাগৰৰ পাৰে পাৰে—৯

ৰচন : মীৰা নায়াৰ • চিত্ৰণ : গৌতম সেন

মাল্পে বা উদ্যাৱৰা নৈৰ মোহানাত, নাৰিকল-কুঞ্জ-সমন্বিত দক্ষিণ-কন্নড়ৰ সাগৰতীৰত মাল্পে বন্দৰ অৱস্থিত। এই বন্দৰ হ'ল আমাৰ দেশত থকা মৎস্য-চিকিৎসাৰ বাবে প্ৰধান কেন্দ্ৰ।

মাল্পেৰ পশ্চিম দিশত আছে এক সুৰম্য সাগৰ-বালি আৰু তিনিখন শিলাময় দ্বীপ। এই দ্বীপবিলাকক নাৰিকল দ্বীপ বুলি কোৱা হয়। এইবোৰ দ্বীপত আগ্নেয়গিৰিৰ উদ্গিৰণপৰা উৎপন্ন লাভাৰ স্তম্ভ পৰিলক্ষিত হয়, যি-লাভাস্তম্ভ হ'ল আমাৰ ভূতাত্ত্বিক স্মাৰকসমূহৰ অন্যতম।

আগ্নেয়গিৰিৰ এই অগ্ন্যুৎপাত ৬ কৌটি বছৰৰ আগেয়ে সংঘটিত বুলি ভূতাত্ত্বিকসকলৰ অনুমান।

উদুপি মাল্পেৰপৰা চাৰি কিল'মিটাৰ দক্ষিণত। উডুপি ৰসুপ্ৰাচীন মান আছিল ৰজতপীঠপুৰ। উডুপি হ'ল এক বিখ্যাত তীৰ্থস্থান। মহান বৈষ্ণৱ সন্ত তথা দাৰ্শনিক শ্ৰীমধ্বাচাৰ্য্যই এই ঠাইত আঠখন মঠ স্থাপন কৰিছিল—কিঞ্চিদধিক ৭০০ বছৰৰ আগতে। ইয়াত শ্ৰীকৃষ্ণৰ মূৰ্তিৰে সৈতে এটি কৃষ্ণমন্দিৰ আছে। কথিত আছে যে, শ্ৰীকৃষ্ণই কনকদাস নামৰ নিম্নবৰ্গীয় ভক্ত এজনক 'দৰ্শন' নিদিয়াত, বৈষ্ণৱ সন্ত আৰু কবি, ১৫৫০ খৃষ্টাব্দত কুৰুবা শ্ৰেণীত জনম লোৱা কনকদাসে অতি ব্যথিত হৈ মন্দিৰলৈ প্ৰবেশ কৰাৰ চেষ্টা কৰিছিল, আৰু সেই চেষ্টাত ব্যৰ্থ হৈ শ্ৰীকৃষ্ণৰ নাম কাঢ়ি কাঢ়ি ক্ৰন্দন কৰাত শ্ৰীকৃষ্ণই এখন সৰু খিৰিকীয়েদি ভক্ত কনকদাসলৈ ঘূৰি চাইছিল।

এই খিৰিকীখন সেই সুপ্ৰাচীন কালৰেপৰাই 'কনকানা কিণ্ডি' নামেৰে অভিহিত হৈ আহিছে।

শ্ৰীমধ্বাচাৰ্য্যৰ মূৰ্তি

নাৰিকল দ্বীপৰ লাভাস্তম্ভ

উডুপিৰ কৃষ্ণ মন্দিৰ

উডুপিৰ এই কৃষ্ণ-মন্দিৰ প্ৰতি দুবছৰৰ বাদে বাদে অনুষ্ঠিত 'পৰ্য্যোৎসৱ' নামৰ বৰ্ণাঢ্য উৎসৱ-উপলক্ষ্যে লাখ-বিলাখ ভক্ত দৰ্শন কৰিবলৈ ঢপলিয়াই আহে।

উডুপি এক সুখ্যাত শিক্ষাকেন্দ্ৰ আৰু ব্যাঙ্কিং-ব্যৱসায়ৰ কেন্দ্ৰ।

উডুপিৰ চাৰি কিল'মিটাৰ দক্ষিণ-পশ্চিমত শ্ৰীমধ্বাচাৰ্য্যৰ জন্মস্থান। তেওঁৰ জন্মস্থানত তেওঁৰ মূৰ্তি স্থাপিত হৈছে।

উডুপিৰ দক্ষিণ দিশত আছে—জৈনধৰ্মীয় দুই উল্লেখ কেন্দ্ৰ—কাৰকল আৰু মাডবিদ্ৰি। কাৰকলত আছে ১২'৮ মিটাৰ ওখ গোমাতা-মূৰ্তি। এই মূৰ্তি ১৪৩২ খৃষ্টাব্দত প্ৰতিষ্ঠিত হৈছিল। কৰ্ণাটকৰ বিখ্যাত ভাস্কৰ ৰেন্‌জালগোপাল শেনয় এই কাৰকলৰ সন্তান। তেওঁৰ বিৰাট বিৰাট ভাস্কৰ্য্য কেৱল কৰ্ণাটক আৰু ভাৰতৰ অন্যান্য স্থানতে নহয়, জাপানদেশতো দৃষ্ট।

মাডবিদ্ৰিৰ সহস্ৰ স্তম্ভৰ জৈন-মন্দিৰ

মাডবিদ্ৰি ‘জৈন-কাশী’ বুলি অভিহিত। মাডবিদ্ৰিত ১৮টি জৈন-মন্দিৰ বিদ্যমান। সৰাতোকৈ বৃহৎ মন্দিৰটিৰ নাম হ’ল—‘ত্ৰিভুৱনতিলকচূড়ামণি’ বাছাডি—অৰ্থাৎ মন্দিৰ। এই মন্দিৰক ‘সহস্ৰস্তম্ভৰ’ বাছাডি বা মন্দিৰ বুলিও কোৱা হয়। ইয়াৰ স্তম্ভবোৰ অখণ্ড শিলাৰপৰা নিৰ্মিত।

এই মন্দিৰত জৈন-তীৰ্থঙ্কৰসকল ৰত্নখচিত অমূল্য মূৰ্তি আছে।

১৬ শতিকাত কন্নড় কবি ৰত্নকৰবৰ্ণিয়ে এই মাডবিদ্ৰিত তেওঁৰ সুবিখ্যাত কালজয়ী কাব্য ‘ভাৰতেশবৈভৱ’ ৰচিছিল বুলি কোৱা হয়।

১০ম শতিকাৰ ৰাণী মঙ্গলাদেৱীৰ নামানুসাৰে ম্যাংগালোৰৰ নামকৰণ কৰা হৈছিল।

ম্যাংগালাৰ মাডবিদ্ৰিৰ দক্ষিণত অৱস্থিত।

২য় খৃষ্টাব্দত মাডবিদ্ৰি এক সুসমৃদ্ধ বন্দৰ আছিল। ইয়াত টিপু ছুলতানে পাট-শিল্পৰ পত্তন কৰিছিল।

ম্যাংগালোৰৰ পাট-শিল্প ভাৰতত উল্লেখযোগ্য।

কাৰকালৰ গোমাতা-মূৰ্তি

ম্যাংগালোৰ—নেত্ৰৱতী আৰু গুৰপুৰ নামক দুখন নৈৰ সঙ্গমস্থলত অৱস্থিত



ম্যাংগালোৰ হ'ল কৰ্নাটকৰ এক প্ৰধান শিক্ষাকেন্দ্ৰ। শিক্ষাকেন্দ্ৰ হোৱাৰ উপৰিও ম্যাংগালোৰ হ'ল কৰ্নাটকৰ একমাত্ৰ উল্লেখযোগ্য বন্দৰ।

ম্যাংগালোৰক মুম্বাইৰ সৈতে সংযুক্ত কৰাৰ বাবে ৭৬০ কি. মি. দীৰ্ঘ কোনকান-ৰেলওয়ে নিৰ্মিত হৈছে, যি ৰেল-সংযোগে ম্যাংগালোৰ-মুম্বাইৰ বৰ্তমান ৪১ ঘণ্টীয়া যাত্ৰাপথক মাত্ৰ ১৮ ঘণ্টীয়া যাত্ৰাপথলৈ পৰ্যাৱসিত কৰিব।

দক্ষিণ-কন্নড় সাগৰতীৰৰ একেবাৰে দক্ষিণ প্ৰান্তত, ম্যাংগালোৰৰপৰা ৮ কি.মি. দূৰত আছে ৰজতশুভ্ৰ সাগৰবালি—**উল্লল**।

১৭ শতিকাত শেষৰ ফালে আব্বক্কাদেৱী নাম্নী এগৰাকী সাহসী ৰাণীয়ে উল্লল শাসন কৰিছিল। ৰাণীয়ে তদানীন্তন পৰ্টুগিজসকললৈ কৰ-প্ৰদান বন্ধ কৰিছিল। তেতিয়া পৰ্টুগিজসকল আছিল এইবোৰ অঞ্চলত মহাশক্তিমান ইউৰোপীয় সম্প্ৰদায়।

পৰ্টুগিজসকলে যেতিয়া প্ৰতিশোধাৰ্থে ইউৰোপীয় দেশবিলাকৰ সৈতে উল্ললৰ বাণিজ্যিক আদান-প্ৰদান বন্ধ কৰি দিছিল, তেতিয়া ৰাণী আব্বক্কাদেৱীয়ে আৰৱদেশসমূহৰ সৈতে বাণিজ্য কৰাৰ পৰিকল্পনা লৈছিল।

পৰ্টুগিজসকলে উল্লল আক্ৰমণ কৰাত ৰাণীয়ে অপাৰ সাহসিকতাৰে যুদ্ধ কৰি পৰ্টুগিজসকলক তথা ইউৰোপীয়সকলক উল্ললৰপৰা খেদিছিল।

উল্ললৰ ৰাণী অব্বক্কাদেৱীয়ে
পৰ্টুগিজসকলৰ বিৰুদ্ধে
যুদ্ধ কৰাৰ দৃশ্য।



© Amrita Bharati, Bharatiya Vidya Bhavan, 1996

অন্নদানৰ মহিমা

দানেশদত্ত নামতো যেই, কামতো সেই ! দানেশদত্ত দানী মানুহ। এই ঠাই ডোখৰ আছিল পলসুৱা মাটিৰ অঞ্চল। ইয়াত অত্যাধিক পৰিমাণে খেতি-বাতি হৈছিল, আৰু বহু দূৰ-দূৰণিৰপৰাও ইয়াত কাম কৰিবলৈ বনুৱাসকল আহিছিল। অৱশ্যে —ইয়ালৈ ইমান বনুৱা আহাৰ অন্যতম কাৰণ আছিল — দানেশৰ অন্নদান। দানেশে বনুৱাইঁতক বিনা পইচাৰে খুৱাই-ছিল, আৰু বনুৱাইঁতক কৈছিল "লাজ নকৰিবা। পেট পূৰাই খাবা। তোমা-লোকৰ খুৱালে মোৰ অন্নৰভঁৰাল খালী নহ'ব, পূৰহে হ'ব।"

কেৱল বনুৱাইঁতকে নহয়, বাটৰুৱা, তীৰ্থ-লৈ ওলোৱা মানুহকো দানেশে অন্নদান কৰি ভাল পাইছিল।

এদিন নীলকণ্ঠ নামৰ ধনিক এগৰাকীয়ে গৰুৰ গাড়ীৰে কোনোবা এখন দূৰণিবটীয়া গাঁৱলৈ গৈ থাকোঁতে দানেশ-দত্তৰ গাঁৱতে ৰাতি হ'ল। তেতিয়া ক'ত ৰাতি হ'ব সেই কথাত চিন্তাত পৰিল।

তেতিয়া গাড়ীৱলাই ক'লে, "দেউতা, চিন্তা নকৰক। ইয়াত আমি দানেশদত্ত ডাঙৰীয়াৰ ঘৰলৈ গ'লেই হৈ যাব।"

দুৱাৰ খটখটোৱাত দুৱাৰ খুলি দানেশ-দত্ত ওলাই আহিল। তেতিয়া নীলকণ্ঠই দানেশক ক'লে, "মোক আৰু মোৰ এই গাড়ীৱলাক ভাত-পানী লাগিব। পইচাৰ চিন্তা নকৰা, ভালৰো ভাল খোৱাবস্তু বনোৱাগৈ। মই বিষ্ণুপুৰৰ জমিদাৰ।"

ধনিক নীলকণ্ঠৰ ধক নোহোৱা কথা শুনি দানেশদত্ত বিতুষ্ট হ'ল, যদিও মুখেৰে সেই বিতুষ্টিৰ ভাব প্ৰকাশ নকৰি ক'লে, "মোৰ দৃষ্টিত মোৰ ঘৰলৈ আহা যেই-

ব্ৰজনাথ শৰ্মা



কোনো আলহীয়েই বিষ্ণুভগৱান। কি ধনী কি দৰিদ্ৰ—সকলোকে মই পৰমব্ৰহ্ম-ৰূপেই গ্ৰহণ কৰোঁ। তেওঁলোকে যেতিয়া অন্নাহাৰ কৰে—মই তৃপ্ত হওঁ। আমাৰ ককা-আজোককাৰ আমোলৰপৰা ঢেৰ সা-সম্পত্তি আছে, সেই সম্পত্তি কেৱল আমাৰেই নহয়, সকলোৰে বাবে। আপোনাৰ ভোক, আৰু আপোনাৰ গাড়ীৱলাৰ ভোক—একেই নহয় জানো? গতিকে—মোৰ পক্ষে দুয়োজনই এক। আৰু সেইহে—একেই শাৰীত বহি ইয়াত ধনী-দুখীয়াই অন্নাহাৰ কৰে। আমি অন্ন নেবেচোঁ। যি কি নহওক—হাত-ভৰি ধুই আহক, আৰু ভোজনত বহক।"

দানেশ্বৰ কথাত কিঞ্চিত লাজ পাই নীলকণ্ঠই ক'লে, আপোনাৰ নিচিনা দানীৰ আগত আমিবোৰ তেনেই তুচ্ছ। মোৰ দম্ভিক উক্তিক ক্ষমা কৰক।"

তাৰ পাছত তেওঁ আৰু গাড়ীৱালাই একেই শাৰীত বহি ভাত-পানী খালে। তেতিয়া নীলকণ্ঠই গাড়ীৱলাক ক'লে, "সামান্য সময়ৰ বাবে হ'লেও আমি এতিয়া এক হ'লোঁ।" এই বুলি কৈ, গাড়ীৱলাৰ খোৱা শেষ নোহোৱালৈকে নীলকণ্ঠ তাত ৰৈ থাকিল।

ৰাতিপুৱা নীলকণ্ঠ পুনৰ ৰাওণা হ'ল। গৈ গৈ তেওঁলোকে এক বিৰাট নৈৰ মথাউৰি পালে। আৰু ঠিক তেতিয়াই মগজুত দুৰ্বুদ্ধিয়ে বাহ ল'লে।

গাড়ীৱলাই গাড়ীখন ৰখাই নীলকণ্ঠক ক'লে, "শুনক, মই আপোনাৰ—বা আন কাৰোবাৰ চাকৰ হৈ জীৱন নকটাওঁ। হেলাৰঙে কেনেকৈ ধনী হ'ব পাৰি, এতিয়া জানিছোঁ মই। আপুনি গাড়ীৰ-পৰা নামি আহক।" কিঞ্চিত ভয় খায়েই—নীলকণ্ঠই গাড়ীৰপৰা নামি আহিল।

গাড়ীৱলাই নীলকণ্ঠক ক'লে, "তোমাৰ ওচৰত যিখিনি ধন আছে-চুপচাপ দিয়া।"

নীলকণ্ঠই ক'লে, "শুনা, লুটিয়াৰ ধন—অবাবতে নষ্ট হয়।"

কিন্তু তিমানতে গাড়ীৱলাৰ মূৰত দুৰাশা নামৰ পিশাচে লম্ভিলেই। গতিকে

—সি গাড়ীৰলাই জোৰ-জুলুম কৰি নীলকণ্ঠৰপৰা ধন-সোণখিনি বলেৰে কাঢ়ি ল'লে, তাৰ পাছত নীলকণ্ঠক কোবাল নৈৰ পানীতৈ ঠেলি পেলাই দিলে।

কিছুদিনৰ অন্তত সেই গাড়ীৰলা ৰামনগৰ নামৰ চহৰলৈ গ'ল। তাত সি সেই লুট কৰা ধনেৰে সৰু-সুৰা বেহা-বেপাৰত ধৰিলে, আৰু চাওঁতে চাওঁতে সি এজন ডাঙৰ বেপাৰী হৈ উঠিল। কেইবছৰমানৰ অন্তত এদিনৰ গাড়ীৰলাই এই চহৰৰ ডাঙৰ ডাঙৰ ধনী লোকসকলৰ লগত উঠা-বহা কৰিবলৈ ধৰিলে।

ইপিনে — কোবাল নৈত পৰি— সাঁতুৰিব নজনা নীলকণ্ঠ ডুবি মৰিছিল, আৰু তেওঁ মৰি পিশাচ হৈছিল। পিশাচ হৈ থকা অৱস্থাত এদিন সেইলুটিয়াৰ গাড়ীৰলাৰ কথা মনত পৰিল।

গাড়ীৰলাৰ তেতিয়া জয়জয়, ময়ময় অৱস্থা। এদিন সি অন্যান্য কিছুমান ধনী-মানীৰ সৈতে বহি ভূত-পিশাচৰ কথাতে গল্প কৰি আছিল। ভূত-পিশাচ প্ৰকৃতপক্ষে আছেনে নাই—সেই কথাতে তৰ্ক-বিতৰ্ক চলি আছিল তাত।

পিশাচ নীলকণ্ঠই ভাবিলে : ভাল সময়তে ওলালোঁহি।

পিশাচ নীলকণ্ঠই গাড়ীৰলাৰ দেহত অদৃশ্যভাবে সোমাই গ'ল, আৰু লগে লগে গাড়ীৰলাৰ মাজত অভাৱিত পৰিৱৰ্তনৰ

সৃষ্টি হ'ল। গাড়ীৰলা উঠি থিয় হ'ল, আৰু থিয় জঁাপ মাৰি মাৰি চিঞৰি-বাখৰি তাল-ফাল লগাই কৈ থাকিল, "চোৰাহঁত! পিশাচ — প্ৰেত— আহি গ'ল। যদি পাৰা—মোক বচোৰা—ৰা—ৰা!" গাড়ীৰলাই মৰ-চিঞৰ মাৰি মাৰি জঁপিয়াজঁপি কৰি থাকিল।

পোনতে গাড়ীৰলাৰ হঠাৎ পৰিৱৰ্তনত সকলোটিয়েই মজাহে পাইছিল ; কিন্তু পাছত—অৱস্থাৰ ৰেখ কৰি—সকলোটিয়েই ধাৰৰ নলকঁপা দি থাকিল। তাত এজন মান্য-গণ্য জমিদাৰো আছিল। কেনেকৈ ক'ব নোৱাৰি, তেওঁৰ চুৰিয়াৰ পোন্ধ খুলি মাটিত পৰিল আৰু তেওঁ ঘামি-জামি প্ৰায় বেহুঁচ হৈ পৰিল। তেতিয়া

এজন দৌৰি গ'ল ভূত-জৰা ওজাক ধৰি আনিবলৈ। ভূত-জৰা ওজাও থৰ-কাছুটি হেৰুৱাই দৌৰি আহিল জমিদাৰৰ অৱস্থাৰ কথা শুনি, আহিয়েই মন্ত্ৰ আওৰালে, আৰু পিশাচ নীলকণ্ঠৰ সৈতে মাত-বোলৰ যোগেদি ওজাই গাড়ীৱলাৰ আচল ৰূপ জানিব পাৰিলে।

ভূত-জৰা ওজাই পিশাচ নীলকণ্ঠক ক'লে, "হে পিশাচ, হোৱা কথা হৈ গ'ল, গ'ল-কথা গুচিল। গাড়ীৱলাক আমি টানৰো টান শাস্তি দিম। তুমি ইয়াক এৰি গুচি যোৱা।"

ওজাৰ এই কথাৰ উত্তৰত পিশাচ নীলকণ্ঠই হিঁ হিঁয়াই হাঁহি মাৰি ক'লে, "এই বাদমাছৰো বদমাছৰ দেহা মোক নালাগে, মই ইয়াক ঘৃণাৰে এৰি যামগৈ। কিন্তু—মোৰ পিশাচত্বৰপৰা মুক্তিৰ মন্ত্ৰ এটাহে উপায় আছে। যদি দানী দানেশ ডাঙৰীয়া ইয়ালৈ আহি এই দুষ্টলৈ তেওঁ দান কৰা অন্নৰ ফল মোক দিয়ে--মই অপঘাত মৃত্যুৰ কুফলৰপৰা মুক্তি পাম।

তৎক্ষণাৎ দানী দানেশক ইয়ালৈ লৈ অাহা হ'ল। তেওঁক দেখা পোৱামাত্ৰেই গাড়ীৱলাৰ দেহত থকা পিশাচ নীলকণ্ঠই নমস্কাৰ কৰিলে আৰু ক'লে, "হে মহাশয়, অপাত্ৰত অন্নদানো যে মহৎ দান—আপুনি সেই কথা প্ৰমাণ কৰিব লাগে। এই মহাদুষ্ট গাড়ীৱলাক অন্নদান কৰাৰ যি ফল আপুনি পাইছিল, সেই ফল মোক দিয়ক, মোৰ এই পিশাচৰূপৰপৰা দয়া কৰি মোক মুক্ত কৰক।"

দানী দানেশ ডাঙৰীয়াই 'তথাস্তু' বুলি ক'লে, আৰু লগে লগে সেই গাড়ীৱলাই কটা কলগছৰ দৰে তললৈ বাগৰি পৰি চেতনা হেৰুৱালে আৰু তাৰ মুখেদি আৰু নাকেদিও জোলোকা-জোলোকে ফেন ওলাই থাকিল।

পাছত—এই দুষ্ট গাড়ীৱলাই তাৰ সমগ্ৰ জীৱনকাল ধৰি লোকক অন্নদান কৰি মহাপাপৰপৰা মুক্তহ হ'ব পাৰিলি।



চান্দমামা
সোণালী দুৱাৰ
দহটা মূৰৰ খোলা
কোশলৰাজ্যত যেতিয়া ভয়ানক খৰ-বতৰ, তেতিয়া মহাৰাজ আদিত্যই সহায় বিচাৰি কপালী মুনিৰ কাষ চাপিল।
বৰষুণ নমোৱাৰ বাবে তান্ত্রিক যজ্ঞ আছে···কিন্তু—
মাথোন এটা সামান্য কথা মই মনত পেলাব পৰা নাই···
পাঁচ শাৰীত দহটা মূৰৰ খোলা থাপিব লাগিব···
প্রতি শাৰীত চাৰিটাকৈ লাওখোলা থাপিব লাগিব।
অঁা:
কেনেকৈনো?

সোণালী দুৱাৰৰ প্ৰশ্নাৱলী

1

বুদ্ধ কোশলৰ অৰণ্যৰ মাজেদি গৈ থাকোঁতে ভয়ানক ডকাইত অঙ্গুলিমালে বুদ্ধকো বধ কৰি তাৰ ডিঙিত থকা মালাত তেওঁৰ আঙুলি কাটি লৈ ওলোমাব বুলি স্থিৰ কৰিলে। কিন্তু বুদ্ধই অঙ্গুলিমালক তাৰ ভ্ৰান্ত পথৰ কথা বুজাই ক'লে, আৰু সেই ডকাইত এজন ভিক্ষু অৰ্থাৎ সন্ন্যাসী হৈ গ'ল।

অঙ্গুলিমাল বুলি খ্যাত হোৱাৰ আগতে তাৰ নাম কি আছিল ?

2

ইউৰোপীয়সকল পোন প্ৰথমে অষ্ট্ৰেলিয়ালৈ যাওঁতে লগত এটি বিশেষ মৰমিয়াল জন্তুও লৈ গৈছিল। সেই জন্তুটিৰ বংশধৰবিলাকেই এতিয়া অষ্ট্ৰেলীয় খেতিয়কইতৰ আপদৰো আপদ হৈ উঠিল। খেতিয়কইতৰ গৰু-ছাগলীবোৰে ঘাঁহ-পাত ডালে-মূলে নাইকিয়া কৰাত সেই একালৰ মৰমিয়াল জন্তুবোৰক বাধা দিবলৈ দীঘল দীঘল টাটি সাজিছে।

3

লণ্ডনৰ ভিক্টৰিয়া অ্যাণ্ড অ্যালবাৰ্ট মিউজিয়ামত আচল বাঘৰ আকাৰৰ এই কাঠৰ বাঘটো প্ৰদৰ্শিত হয়। দেখুৱা হয় যে—এই বাঘটোৱে এজন বৃটিছ সৈন্যক আক্ৰমণ কৰিছে, আৰু সৈন্যজনে কাতৰ আৰ্তনাদ কৰিছে। বাঘটোৱে হাওঁৰণিও মাৰে। কাঠৰ বাঘটোৰ প্ৰকৃত গৰাকী কোন ?

এটা দেৰাজৰ ভিতৰত ১২টা মোজা আছে, ছটা বগা আৰু ছটা ক'লা। ইলেকটি্ৰছিটি নোহোৱা ঘৰটো অন্ধকাৰ হৈ গ'ল। এযোৰ বগা বা ক'লা মোজা উলিয়াওঁতে কিমান মোজা উলিয়াব লাগিব ?

4



5

সোমনৰ নাওখন পাৰত লাগিল, আৰু লগে লগে সোমনে তাত এটা হাতী দেখা পালে। হাতীৰ মালিক সোমনৰ চিনাকি। হাতীটোৰ কিমান ওজন—সোধাত হাতীৰ মালিকে ক'লে, সি যদি হাতীটোৰ ওজন ক'ব পাৰে, তেনেহ'লে তেওঁ তাক হাতীৰ পিঠিত উঠাই ফুৰাব। সোমনৰ হাতত আছিল ৫০ কে.জি. ওজন কৰিবপৰা যন্ত্ৰ এটা। তাৰে কেনেকৈনো সোমনে হাতীটোক ওজন কৰিব।

6

এজন কমাৰে আঠটা বৰতোপৰ গোলা নিৰ্মাণ কৰিলে। আটাইবোৰ গোলা দেখাত হুবহু একেই, আৰু সাতটা একেই ওজনৰ। কেৱল এটা গোলাহে অলপ কম ওজনৰ। তোমাক যদি কোৱা হয় যে মাত্ৰ দুবাৰ জুখি কম ওজনৰ গোলাটো উলিউৱা—কেনেকৈ কি কৰিবানো ?



7

প্ৰাচীন মিছৰত মৃতকক কবৰ দিওঁতে মৃতকৰ হাতত ৰূপ আৰু তামৰ মুদ্ৰা দিয়া হৈছিল। কিয় দিয়া হৈছিল ?

টপৈতেয়াৰ-উপহাৰ



১২ ছে.মি. ×৮ ছে.মি. ডাঠ কাৰ্ড এখন লোৱা আৰু তাৰ মাজত ছবি দেখুৱাৰ দৰে তিনি ছে.মি. ছাইজৰ টুকুৰা এটা কাটি লোৱা।



আন এখন কাৰ্ড ৬ ছে.মি. × ৮ছে.মি. আকাৰত কাটা। ঠিক সোঁ-মাজত কজাৰ দৰে লগোৱা।



তাৰ পাছত এইবিলাক ভাঁজ কৰা আৰু বৰ কটকটীয়াকৈ বা বৰ টিলাকৈ নহয়, ৰবৰৰ ফিতাৰে বান্ধা।

ইয়াৰ ওপৰত দুডোখৰ কাগজ লগোৱা। সেই কাগজৰ ওপৰত উপহাৰ-বাৰ্তা লিখা।

কাৰ্ডখন উপহাৰৰ বস্তুতকৈ অলপ-মান ডাঙৰ হ'ব লাগে। উপহাৰ-বস্তুৰ ওপৰৰ ফালে লগোৱা।

এতিয়া তোমাৰ উপহাৰৰ বস্তু তৈয়াৰ হৈ গ'ল। এই বস্তুটি ডাঠ খামৰ ভিতৰত ভৰাই তোমাৰ বন্ধুলৈ পঠাই দিয়া। তেওঁ কিজানি তৰধেই মানিব।

মাল-টনা মটৰগাড়ী — তিনিটা সহজ পদ্ধিতৰে



© Amrita Bharati, Bharatiya Vidya Bhavan, 1996

মহাভাৰত

২৬

দুঃশাসন-প্ৰেৰিত হৈ দুৰ্য্যোধনে পিতা ধৃতৰাষ্ট্ৰক ক'লে, "হে পিতাশ্ৰী, পাশতিত যিওবা প্ৰাপ্ত হৈছিলোঁ, আপোনাৰ বুদ্ধিভ্ৰমৰ ফলত হেৰুৱালোঁ। এতিয়া— পাণ্ডৱইঁতে নিশ্চয় আমাৰ বিৰুদ্ধে যুদ্ধ কৰিব, আৰু আমাক হেলাৰঙে পৰাজিতও কৰিব, আমাৰ সৰ্বনাশ কৰিব। পাণ্ডৱইঁত যে আমাৰ তুলনাত অতি বলৱান, সেই কথা অপুনিও জ্ঞাত, মোৰো অজ্ঞাত নহয়। আৰু সেইহে—আমাৰ কৌৰৱৰ অস্তিত্ব অটুট ৰাখিবলৈ হ'লেও — পাণ্ডৱইঁতক নানান চৰ্তৰ টান জৰীৰে বান্ধিব লাগে, নহ'লে আমাৰ সৰ্বনাশ অৱধাৰিত। এতিয়াও আমাৰ শকুনি আছে। কোনো মনুষ্যয়েই চিৰকাল-চিৰদিন জীয়াই নাথাকে। যদি কিবা কাৰণত শকুনি নিষ্ফলীয়া হয়, আমাৰ প্ৰকৃত সহায় বোলা আন একোৱেই নাথাকিব। গতিকে— এয়েহে সময়। আপুনি পাণ্ডৱক পুনৰ পাশাতি খেলিবলৈ আহ্বান জনাওক, আমি সিহঁতক দ্বাদশবৰ্ষৰ বাবে বনবাসলৈ প্ৰেৰণ কৰিম, আৰু ইতিমধ্যে জগতৰ অন্যান্য শক্তিমন্ত ৰজা-মহাৰজাক আমাৰ-ফলীয়া কৰি ল'ম, আৰু তাৰ পাছত— আমি পাণ্ডৱক পচলা-কুটা দিব পাৰিম।"

দুৰ্যোধনৰ কথা শুনি বিভ্ৰান্ত হৈ পৰা ধৃতৰাষ্ট্ৰ মহাৰাজে পাশতিৰ আয়োজনত পুনৰ তেওঁৰ সন্মতি প্ৰদানিলে।

পুনৰ পাশতি খেলৰ আহ্বান পাই ধৰ্মৰাজে ভাবিলে: সৰ্বনাশ সমুপস্থিত।



কিন্তু তথাপি — তৎকালীন ক্ষাত্ৰ-ধৰ্ম অনুযায়ী — এই আহ্বানলৈ উপেক্ষা-প্ৰদৰ্শনো সম্ভৱ নাছিল। গতিকে—ভ্ৰাতৃ-সকলক, আৰু পত্নীকো লগত লৈ ধৰ্মৰাজে পুনৰ হস্তিনাপুৰ পালেগৈ।

এইবাৰ পাশতি-খেলা আৰম্ভ কৰাৰ আগতে শকুনিয়ে ধৰ্মৰাজক ক'লে, এইবাৰৰ পাশতি-খেলাৰ চৰ্ত হ'ল—যি-পক্ষ পৰাজিত হ'ব, সেই পক্ষই বল্কল পৰিধান কৰি দ্বাদশবৰ্ষলৈ বনবাসলৈ যাব লাগিব; অধিকন্তু — সেই দ্বাদশবৰ্ষৰ সমাপ্তিৰ অন্তত এবছৰলৈ অজ্ঞাতবাস কৰিব লাগিব; যদি অজ্ঞাতবাসকালত ধৰা পৰি যায় — তেনেহ'লে — পুনৰ দ্বাদশবৰ্ষ বনবাস আৰু এবছৰলৈ অজ্ঞাত-বাস কৰিব লাগিব। প্ৰথমবাৰৰ বনবাস-অজ্ঞাতবাস স্নুকলমে সম্পন্ন হয় যদি— চতুৰ্দশ বৰ্ষৰপৰা পৰাজিত পক্ষই পুনৰ নিজ ৰাজ্যত শাসন চলাব পাৰিব।"

শকুনি-প্ৰস্তাৱিত চৰ্তসমূহ শুনি সভাত উপস্থিত সৰ্বজন ভীত-সন্ত্ৰস্ত হৈ উঠিল। কিছুমানে প্ৰকাশ্যেই সৰৱ মন্তব্য কৰিলে: ধৃতৰাষ্ট্ৰৰ বুদ্ধিভ্ৰংশ হ'ল, পুত্ৰৰ হস্তৰ পুতলা হ'ল. পুত্ৰই যেনেকৈ নচুৱাইছে—তেনেকৈ নাচি থকা হ'ল—ইত্যাদি।

ধৰ্মৰাজে শকুনিৰ প্ৰস্তাৱৰ তথা চৰ্তৰ উত্তৰত ক'লে, "ৰাজধৰ্ম—তথা ক্ষাত্ৰধৰ্মৰ পালন — মোৰ ধৰ্ম। ধৰ্ম-ৰক্ষাৰ্থে মই কটিবদ্ধ। যদিও এই চৰ্তৰ অন্তৰালত ঘোৰ ষড়যন্ত্ৰ দেখা পাইছোঁ, তথাপি ক্ষাত্ৰধৰ্ম অনুসৰি পাশতিতো আশগ্ৰহণ কৰিম।"

শকুনিয়ে পাশতিৰ দান দিলে, আৰু ধৰ্মৰাজ পৰাজিত হ'ল। এতিয়া, চৰ্ত অনুসাৰে, পাণ্ডৱসকলে বল্কল অৰ্থাৎ গছৰ বাকলি পিন্ধি বনবাসলৈ ওলাব লাগিব।

এইবাৰ দুঃশাসনে কৈ উঠিল, "দীৰ্ঘ-কালৰ অপেক্ষাৰ অন্তত এইবাৰ পায়া পোৱা পাণ্ডৱৰ কষ্টৰ কাল আৰম্ভ হ'ল যে —তাকে দেখি মোৰ জনম সফল হ'ল যেন লাগিছে, এইবাৰ দুৰ্য্যোধনৰো বাটৰ কাঁইট গুচিল। পাণ্ডৱমখাই আমাক একেবাৰে মূল্যহীন বুলিহে ভাবিছিল, এইবাৰ বুজিব কোন কিমানৰ কি।" তাৰ

পাছত দুঃশাসনে দ্ৰৌপদীৰ প্ৰতি লুব্ধ দৃষ্টিপাত কৰি ক'লে, "পাঞ্চালী, কিয়নো সৌ দুৰ্ভগীয়া-কা পু ৰু ষ ম খা ৰ সৈতে বনবাসলৈ ওলাই আলৈ-আহুকাল ভুঞ্জিবা? তাতকৈ — আমাৰ কৌৰৱৰ মাজৰপৰা—কোনোবা এজনক পতিৰূপে বৰি লৈ আয়মৰে জীৱন অতিবাহন কৰাঁ।"

ভীমে তৎক্ষণাৎ সিংহহেন গৰজি উঠিল, "আৰে নীচাশয়, পাপী, দুষ্ট, শকুনিৰ মায়াবী-পাশতিৰ বলত বলী যেন লাগি বলিয়াৰ দৰে বলকিছা। যেতিয়া আমি তোমালোকক যুদ্ধত না।শ কৰিম, তেতিয়া তোমাৰ অঙ্গ-অঙ্গ খণ্ড-বিখণ্ড কৰিম, আৰু সেই সময়ত তোমাৰ এই মুখ গুৰিয়াই পোনাই দিম। তোমা-লোকক যমৰ আলহী নকৰালৈক মই নৰ'ম, এয়ে মোৰ প্ৰতিজ্ঞা।" তাৰ পাছত দুৰ্য্যোধনলৈ ঘূৰি চাই ভীমে কৈ থাকিল, "হাৰে মূৰ্খ, হাৰে পাণ্ডৱৰ পাণ কটা শতুক, এতিয়া তোমালোকৰ ফুট-গধূলিহে; যেতিয়া তোমালোকৰ চকুৰ আগত নিকপকপীয়া অন্ধকাৰৰ বাহিৰে আন একোৱেই নাথাকিব, যেতিয়া টিকাৰ ছাল এতৰপ যাব, তেতিয়া আজিৰ কুকাৰ্য্য-কুকথাৰ উত্তৰ পাই যাবা।" অতঃপৰ ভীমে সভাস্থললৈ চাই কৈ থাকিল, "আপোনালোকে মনত ৰাখিব, পাপী দুৰ্য্যোধনক মই অতি ভয়ংকৰভাৱে



বধ কৰিম। আৰু তাৰ ভণ্ড কপট মিত্ৰ শকুনিক অৰ্জুনে বধিব, আৰু—"

এনেতে অৰ্জুনে ভীমক ৰখাই কৈ উঠিল, "এইবোৰ কথা এতিয়া কোৱাৰ কোনো অৰ্থ নাই। যদিও—তুমি যিকথা ক'লা, আমি নিশ্চয় তেনেকৈয়েই কৰিম, তথাপি—আমি আগলৈ কি কৰিম-নকৰিম তাৰ আগজাননী এওঁলোকক নিদিওঁ।"

সহদেৱে শকুনিলৈ তীব্ৰ দৃষ্টিৰে চাই কৈ উঠিল, "হেৰ নীচ—কৌৰৱকুলৰ অঙ্গাৰ, তোমাৰ এই কপট-দক্ষতা যুদ্ধ-ভূমিতো প্ৰদৰ্শন কৰিব পাৰিবানে? যুদ্ধভূমিত তোমাক মৱেই বধিম।"

নকুলে অতিপাত ক্ৰুদ্ধ কণ্ঠেৰে কৈ উঠিল, "এই সভাত যিহঁতে আমাৰ

দ্ৰৌপদীক অপমান কৰিলে, সিহঁতক মই পোক-প ৱাক পিছি মৰাদি মাৰিম। এয়া মোৰ পুষ্পকুম্ভদম্ভ নহয়, যি কৈছোঁ— কাৰ্য্যত কৰিহে এৰিম।"

অতঃপৰ— ধৃতৰাষ্ট্ৰ, ভীম, ৱাহিলক, কৃপাচাৰ্য্য, দ্ৰোণ, অশ্বত্থামা, বিদুৰ, সঞ্জয় আদিৰপৰা বিদায় লৈ পাণ্ডৱসকলে বনবাসলৈ বুলি খোজ ল'লে।

দুষ্ট কৌৰৱহঁতৰ ভয়ত কোনেও একো নক'লে। কিন্তু বিদুৰে পাণ্ডৱসকলক ৰখাই ধৰ্মৰাজক ক'লে, "ছল-কাপট্যৰে পৰাজিতই আপোন পৰাজয়ৰ কাৰণে চিন্তিত হ'ব নালাগে। হে ধৰ্মৰাজ! তোমাৰ আছে ৰত্নহেন ভ্ৰাতৃসৱ, আছে গুণৱতী দ্ৰৌপদী, জ্ঞানী ধৌম্য। তোমালোকৰ একতা—জগতৰ আদৰ্শ। তোমালোকৰ প্ৰকৃত পৰাজয়—অসম্ভৱ। যি কি নহওক—তোমালোকৰ মাতৃদেৱী যথেষ্ট বয়সস্থা হ'ল, গতিকে—তেওঁ মোৰ ওচৰত থাকক, মই তেওঁৰ চোৱা-মেলা কৰিম। তোমালোক বনবাসলৈ ও লা ই ছা— ওলোৱা। তোমালোকৰ মংগল হওক। পুনৰ্বাৰ নিশ্চয়েই সাক্ষাৎ লভিম।"

ধৰ্মৰাজে বিদুৰক ক'লে, "আপুনি আমাৰ পিতৃ আৰু গুৰুৰ সমান। আপুনি আমাৰ হিতাৰ্থী। আপুনি যি কৰিবলৈ ক'ব, তাকে কৰিম।"

দ্ৰৌপদীয়ে, অন্তেষপুৰত থকা কুন্তী, গান্ধাৰী তথা অন্য অন্য পুণ্যব্ৰতা নাৰীক ভক্তিভাৰেৰে প্ৰণাম কৰিলে।

কুন্তীয়ে দ্ৰৌপদীক ক'লে, "তুমি সকলো কথা জ্ঞাত। পতিৰ সৈতে সতীধৰ্ম



পালন যে পত্নীৰ সহজাত ধৰ্ম—সেই কথা তোমাক নিশ্চয় বুজাই ক'ব নালাগে আৰু সেইহে কওঁ—তুমি চকুলো নুটুকিবা। তুমি সহদেৱলৈ বিশেষ ভাবে দৃষ্টি ৰাখিবা। সহদেৱ তাৰ অন্যান্য ভাতৃৰদৰে নহয়, সহদেৱৰ সহ্যশক্তি কিছু কম। পুত্ৰী, এই কথা ধ্ৰুব জানিবা, ধৰ্মৰ বিজয় অৱশ্যেই হ'ব আৰু আগলৈ তোমালোকৰ মংগল হ'ব।"

আৰু— অতঃপৰ মুক্তকেশী দ্ৰৌপদী অন্বেষপুৰৰপৰা ওলাল।

বহাৰীৰ পিছে পিছে মাতৃ কুন্তীও অন্বেষপুৰৰপৰা ওলাই আহিল। তেওঁ উচুপি উচুপি কৈ থাকিল : নাজানো, এয়া স্বয়ং বিধাতাপুৰুষৰে অভিপ্ৰায়নে মোৰ কোলাত জনম লোৱা-হেতুকে এই অসম্ভ্ৰম। তোমালোকে কেনেকৈ যে বনবাস কৰিবা—মই একোকে ভাবি নোপোৱা হৈছোঁ। মই কিজানি ঘোৰ পাপ কৰিলোঁ, নহ'লেনো একান্ত আত্মজনৰ এই কষ্ট চকুৰে চাবলগীয়া হয়নে? এই বিষম পৰিস্থিতিত আনকি আমাৰ কৃষ্ণয়ো কোনো সহায়-সাৰথি আগ নবঢ়ালে যে—বৰ বিস্ময়ৰ কথা।"

কুন্তীয়ে সহদেৱক ক'লে "সহদেৱ, তুমি বনবাসলৈ নোলাবা—নাযাবা। তুমি মোৰে সৈতে থাকা। তুমি থাকা যদি—সকলোটিয়েই মোৰ লগত থকা যেন পাম।" এই বুলি কৈ কৈ তেওঁ হুৱাওৱাৰে কান্দিবলৈ ধৰিলে।

বিদুৰে কুন্তীক নানান কথাৰে বুজাই বুজাই কৈ থাকিল আৰু বুজনি দি দি

আথেবেথে ঘৰলৈ লৈ গ'ল।

অতঃপৰ পাণ্ডৱসকলে বনবাসলৈ বুলি ৰাওণা কৰিলে। মুক্তকেশী দ্ৰৌপদীও পাণ্ডৱসকলৰ লগত গৈ থাকিল।

ধৰ্মৰাজে এক খণ্ড বস্ত্ৰেৰে আপোনাৰ মুখমণ্ডল আচ্ছাদিত কৰিছিল। আৰু ভীমে তেওঁৰ বাহু প্ৰদৰ্শন কৰি গৈ থাকিল, অৰ্জুনে বাণৰ প্ৰতীকৰে সৈতে গৈ থাকিল। নকুল ভস্মাচ্ছাদিত হৈ ওলাল, আৰু সহদেৱে সৰ্বদেহ ধূলিৰে আচ্ছাদিত কৰি গৈ থাকিল।

আৰু বৃদ্ধ প্ৰাজ্ঞ ধৌম্যই সামগান গাই গাই অগ্ৰৱৰ্তী হ'ল।

মহাৰাজ ধৃতৰাষ্ট্ৰই বিদুৰক ক'লে, “পাণ্ডৱসকলৰ বসবাস যাত্ৰাৰ বিবৰণ শুনোৱাচোন মোক।”

বিদুৰে পাণ্ডৱসকলৰ মাজত কোন কেনেকৈ গৈছিল—আদ্যোপান্ত বিবৰিলে।

ধৃতৰাষ্ট্ৰই প্ৰশ্ন কৰিলে, “কিয়নো তেনেকৈ গৈছিল?”

“তোমাৰ পুত্ৰই পাণ্ডৱৰ প্ৰতি দুৰ্ব্যৱহাৰ অন্যায় আচৰিলে। তাৰ কৃতকৰ্মত ধৰ্মৰাজ ক্ৰোধিত। আনকি হস্তিনাপুৰৰ অধিবাসী-সকলো তোমাৰ পুত্ৰৰ বিৰোধী—এই কথা স্থিৰৰূপে জানি পাণ্ডৱসকলে তেনেকৈ ওলাইছিল। ভীমে তাৰ বাহুবল প্ৰদৰ্শিত কৰিছিল—আগলৈ কি কৰিব তাৰ প্ৰতীক হিচাপে, আৰু অৰ্জুনেও বাণবৃষ্টিৰ প্ৰতীকেই—দেখুৱাইছিল। কিন্তু নকুল-সহদেৱ ভস্ম-ধূলিৰে আচ্ছাদিত হৈ সিহঁতৰ মনোকষ্টৰ কথা প্ৰকাশ কৰি গৈছিল। আৰু দ্ৰৌপদী আছিল মুক্তকেশী। দ্ৰৌপদীয়ে নিমাতে কৈ গৈছিল যে—ত্ৰয়োদশবৰ্ষৰ অন্তত কৌৰৱ-নাৰীহঁতৰ অৱস্থা কি হ'ব। ধৌম্যৰ হস্তত আছিল কুশ। এই কুশ হ'ল ভৱিষ্যতৰ মহাযুদ্ধত মনুষ্যৰ অন্ত্যেক্ৰিয়াৰ সংকেত। হে ৰাজন্! সুনিশ্চিতভাৱে, তোমাৰ দুৰ্বুদ্ধিৰ কাৰণেহে ভৱিষ্যতলৈ কৌৰৱ-বংশৰ বিনশন হ'ব।”

পাণ্ডৱসকল প্ৰস্থান কৰাৰ অন্তত—দুৰ্য্যোধন, দুঃশাসন, কৰ্ণ, শকুনি—এই চাৰিও চক্ৰী দ্ৰোণৰ কাষ চাপিল আৰু এওঁলোকে দ্ৰোণাচাৰ্য্যক ক'লে, “গুৰুবৰ!

Sankar

পাণ্ডৱৰপৰা প্ৰাপ্ত ৰাজ্য আপুনি শাসন কৰক। এই ৰাজ্য শাসনৰ সৰ্ব অৰ্হতা আপোনাত আছে, আৰু আপোনাতকৈ অধিক অৰ্হতাসম্পন্ন আন কোনো নাই।"

দ্ৰোণই তদুত্তৰত ক'লে, "পাণ্ডৱক পৰাজিত কৰাটো—দুঃসাধ্য কৰ্ম। কিন্তু মই দুৰ্যোধনকো এৰি থাকিব নোৱাৰোঁ, কিয়নো, দুৰ্যোধনে মোক অপাৰ ভক্তি-শ্ৰদ্ধা কৰে। সৰ্বনিয়ম 'সৰ্বৰূপে পালনৰ' অন্তত পাণ্ডৱে যে কৌৰৱৰ বিৰুদ্ধে অস্ত্ৰ-ধাৰণ কৰিবহি, সেই কথাত মোৰ সংশয়ৰ লেশমাত্ৰো নাই। মোক বধকাৰী পুত্ৰ মহাযজ্ঞৰ যোগেদি দ্ৰুপদে পালেই; তদুপৰি, দ্ৰৌপদীৰ বিবাহৰ যোগেদি ধৃষ্টদ্যুম্নও পাণ্ডৱৰ আপোন হ'ল, কৃষ্ণ তো আছেই। মোৰ মৃত্যু যে ধৃষ্টদ্যুম্নৰ হাতত হ'বই—সেই কথাও ধ্ৰুৱসত্য। আৰু—আৰু কৌৰৱক যে মই বিনশনৰপৰা ৰক্ষা কৰিব নোৱাৰিম—সেই কথাটোও সমভাৱেই সত্য।"

এইবোৰ কথা যেতিয়া ধৃতৰাষ্ট্ৰৰ কাণত পৰিল, তেতিয়া তেওঁ দমি গ'ল। তেওঁ বিদুৰক ক'লে, "বিদুৰ, দ্ৰোণাচাৰ্য্যৰ কথাত যথেষ্ট সত্যতা বিদ্যমান। তুমি এটা কাম কৰা, তুমি পাণ্ডৱসকলক বনৰপৰা ওভোতাই লৈ আহাগৈ। তেওঁলোকে আহিবলৈ অস্বীকাৰ কৰিলে ক'বা যে মই তেওঁলোকক সসন্মানেৰে ওভোতাই লৈ যাবলৈহে তোমাক পঠাইছোঁ।"

তেতিয়া সঞ্জয়ে ধৃতৰাষ্ট্ৰক ক'লে, "হে ৰাজন্! পাণ্ডুৱেই এই ৰাজ্য অধিকাৰ আপোনাক কৰি প্ৰদান কৰিছিল। আৰু সেই পাণ্ডুৰ বংশধৰসকলক আপুনিয়েই বনবাসী কৰিলে। এতিয়া আৰু সেই কথাত চিন্তিত হোৱাত কি লাভ?"

ধৃতৰাষ্ট্ৰই সখেদে ক'লে, "বোধকৰোঁ মোৰ মাজত থকা পুত্ৰ-মোহয়েই মোৰ, আৰু কৌৰৱ-বংশৰো সমূহ সৰ্বনাশ সমুৎপন্ন কৰিলে! এতিয়া আমাক একমাথোন ঈশ্বৰেহে ৰক্ষা কৰিব পাৰিব!" [আগলৈ

যি-বিৰিখৰ দ্বীপৰ নামত নাম

মুম্বাইৰ (বম্বে) ওচৰত কৰঞ্জিয়া নামৰ এটি সৰু দ্বীপ আছে। এই দ্বীপত এবিধ গছ প্ৰচুৰ সংখ্যাত পৰিলক্ষিত হয়। এইবোৰ গছৰ নাম এই দ্বীপৰ নামতে হৈছে, কৰঞ্জি নামেৰে জনাজাত হৈছে—মৰাঠী ভাষাত। হিন্দী, গুজৰাটী আদিতো এই বৃক্ষৰ নাম 'কৰঞ্জি'। বাংলাত—'কাঁজি'। বাংলাৰ কোনো কোনো অঞ্চলত 'কৰঞ্জি' বুলিও কোৱা হয়। তামিলত পাঙ্গম আৰু পাঙ্কু, আৰু তেলুগু আৰু মালয়ালমত পুঙ্গু। এই বৃক্ষৰ উদ্ভিদ-বিজ্ঞানীয় নাম হ'ল—পোঙ্গামিয়া পিন্নাটা (Pongamia Pinnata), দেখ-দেখকৈ, দক্ষিণ-ভাৰতীয় নামেৰে প্ৰভাৰিত। মালয়ালমত অৱশ্যে — এই বৃক্ষৰ এটি সুকীয়া নামও আছে—উন্নে।

এই বৃক্ষ সাগৰতীৰৱৰ্তী অঞ্চলত অধিককৈ পৰিলক্ষিত হয়। নৈৰ পাৰতো এই বৃক্ষ যথেষ্ট সংখ্যাত ওপজে। মধ্য-ভাৰতৰ আৰু আমাৰ দেশৰ অন্যান্য বৃহৎ বৃহৎ অৰণ্যতো এই বৃক্ষৰ সমদল ঠায়ে ঠায়ে পৰিদৃষ্ট হয়। এই বৃক্ষ সাধাৰণতঃ ১০—১২ মিটাৰলৈ ওখ হয়। এইবোৰ বৃক্ষই যথেষ্ট সংখ্যক ডাল-পাত মেলে। এই বৃক্ষ চিৰ-সেউজ বৃক্ষৰাজিৰ অন্যতম। একোটা সাৰিত ৫, ৭ বা ৯টাকৈ পাত হয়। বিভিন্ন ঠাইত বগা পৰুবাবোৰক খেদিবলৈ এই বৃক্ষৰ শুকান পাত ব্যৱহাৰ কৰা হয়।

এই বৃক্ষৰ ফুলবোৰ মূলতঃ বগা, কিন্তু পাছত গুলপীয়া, আৰু সৰ্বশেষত বেঙুনীয়া বৰণ লয়। এপ্ৰিলৰপৰা জুন মাহৰ ভিতৰত এইবোৰ বৃক্ষত অজস্ৰ ফুল ফুলে আৰু ৰাতিপুৱা এই ফুল সৰি সৰি গছ-তল নয়ন-মনোহৰ দলিচাহেন কৰি তোলে। এই বৃক্ষৰ প্ৰচুৰ পৰিমাণে ওপজা ফলবোৰ টান খোলাৰ শুকান ফল, ফলবোৰ ক্ৰমাত সৰু হৈ হৈ জোঙামুখীয়া হয়।

প্ৰধানতঃ ছাঁৰ কাৰণে এই বৃক্ষ বাটৰ দাঁতিত ৰোপণ কৰা হয়।

ভাৰতৰ ঋষিকুল

অকৃতব্ৰণ

মহামুনি পৰশুৰামৰ সকলো শিষ্যৰ মাজত যিজন শিষ্য সদায় গুৰুৰ সৈতে আছিল. গুৰুৰ পৰিচৰ্য্যা কৰিছিল, সেই শিষ্যজনৰ নাম হ'ল—অকৃতব্ৰণ।

এদিন মহামুনি পৰশুৰামে অৰণ্যৰ মাজেদি গৈ থাকোঁতে হঠাৎ ক'ৰবাত এক চেপা ক্ৰন্দন-ধ্বনি শুনিলে। গৈ গৈ তেওঁ এটা অদ্ভুত দৃশ্য দেখা পালে। সৰু লৰা এটি এঠাইত থিয় হৈ কান্দি আছে, আৰু এটা বাঘ ল'ৰাটিৰ ওপৰলৈ জঁপিয়াই পৰিবলৈ হাঁউৰি মাৰিব ধৰিছে। মহামুনি পৰশুৰামে বাঘটোক বাণেৰে বধি ল'ৰাটিক ৰক্ষা কৰিলে।

সেই মৃত বাঘটোৰ দেহ ভেদি এজন গন্ধৰ্ব দণ্ডায়মান হ'ল, আৰু মহামুনিয়ে তেওঁক শাপমুক্ত কৰাত আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলে। ৰক্ষা পোৱা ল'ৰাটিয়ে মহামুনিক ক'লে, "আপোনাৰ কৃপাতেহে মই অক্ষতভাৱে ৰক্ষা পৰিলোঁ, নতুবা মোৰ মৃত্যু আছিল অৱধাৰিত।" অকৃতব্ৰণ নামটোৰ অৰ্থ হ'ল—অক্ষত।

পাছত ল'ৰাটি মহামুনিৰ সৈতে সৰ্বত্ৰগামী হ'ল। মহামুনিয়ে ল'ৰাটিক শাস্ত্ৰৰ আৰু শস্ত্ৰৰো শিক্ষাদান কৰিলে, আৰু অন্যান্য বিভিন্ন বিদ্যাতো পাৰংগম কৰি তুলিলে।

কৌৰৱ-বীৰ ভীষ্মই এবাৰ কাশীৰ ৰজাৰ দুজনী কন্যাক—অম্বা আৰু অম্বালিকাক—বলেৰে লৈ আহিছিল—তেওঁৰ ভাতৃ বিচিত্ৰবীৰ্য্যৰ সৈতে যোৰা পাতি দিবলৈ। অম্বাই ৰজা শাল্বক ভাল পাইছিল. আৰু ভীষ্ময়ো অম্বাক যাবলৈ দিছিল; কিন্তু ৰজা শাল্বই অম্বাক পত্নীৰূপে গ্ৰহণ কৰিবলৈ অগ্ৰাহ্য কৰিছিল। তেতিয়া অম্বাই বিচিত্ৰবীৰ্য্যকে বিবাহ কৰাৰ ইচ্ছা প্ৰকাশ কৰাত বিচিত্ৰবীৰ্য্যয়ো অনিচ্ছা প্ৰকাশ কৰিলে। তেতিয়া ৰাজকুঁৱৰী অম্বাই ভীষ্মকে বিবাহ কৰাব বুলি কোৱাত ভীষ্ময়ো অসন্মতি প্ৰকাশ কৰিলে, কিয়নো ভীষ্ম চিৰকুমাৰ হৈ থাকিবৰ প্ৰতিজ্ঞা কৰিছিল।

কিন্তু ৰাজকুঁৱৰী অম্বাই ক'লে যে, তেওঁৰ এনেহেন লাজলগা অৱস্থাৰ কাৰণে ভীষ্ময়েই দায়ী, কিয়নো, ভীষ্মই বলেৰে লৈ নহাহেঁতেন তেওঁ এনে অৱস্থাত নপৰিলহেঁতেন।

অযথা অপমানৰ প্ৰতিশোধ ল'বলৈ অম্বাই বহুতো বীৰৰ কাষ চাপিল. কিন্তু কোনেও ভীষ্মৰ বিৰুদ্ধে অস্ত্ৰধাৰণত সন্মত নহ'ল। পৰশুৰামে অম্বাৰ কথা শুনি ভীষ্মক বুজাবলৈ ব্যৰ্থ হোৱাত, তেওঁ ভীষ্মৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিলে।

কুৰুক্ষেত্ৰতে বহুদিন ধৰি এই মহাযুদ্ধ চলিছিল, আৰু পৰশুৰামৰ ৰথৰ সাৰথি আছিল অকৃতব্ৰণ। কিন্তু এজনো বিজয়ী হ'ব পৰা নাছিল। তেতিয়া নাৰদমুনি আৰু অন্যান্য দেৱতা স্বৰ্গৰপৰা নামি আহি এই মহাযুদ্ধৰ অন্ত পেলাইছিল।

অকৃতব্ৰণ খ্যাতিমান মুনিৰূপে খ্যাত হৈছিল।



জা নি ব ল গী য়া

১. কৃষ্ণ সাগৰৰ (ডেড্ চি) গভীৰতা কিমান ?

২. অ'লিম্পিক পতাকাত পাঁচটা বৃত্তাকাৰ বেৰীৰ বৰণ কি কি ? বৰণৰ ভিত্তি কি ?

৩. গছৰ বৃদ্ধিৰ পৰিমাপৰ যন্ত্ৰ আৱিষ্কাৰক ভাৰতীয় বিজ্ঞানীৰ নাম কি ?

৪. ১৯০৬ চনত ন'বেল-বঁটা বিজয়ী এগৰাকীৰ আঠজন ছাত্ৰেও পৰবৰ্তী বছৰবিলাকত ন'বেল-বঁটা পাইছিল। তেওঁৰ নাম ?

৫. এগৰাকী ৰজা আছিল জন্মান্ধ। তেওঁৰ ৰাণীয়েও সদায় নিজৰ চকুযুৰি বস্ত্ৰেৰে বান্ধি ঢাকি ৰাখিছিলি। এওঁলোকৰ নাম ?

৬. 'দেশবন্ধু' নামেৰে অভিহিতজন কোন আছিল ?

৭. ৰোম্যানসকলে ফেঁচাক অমঙ্গলীয়া ভাৱিছিল। মৌমাখিক কি বুলি ভাবিছিল ?

৮. মাদাম ভিকাজী কামাই ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ ত্ৰিবৰ্ণ ৰূপ-দান কৰিছিল। আমেৰিকাৰ জাতীয় পতাকাৰ ৰূপদানকাৰী আমেৰিকীয় মহিলাৰ নাম কি ?

৯. বাঘক ভাৰতৰ জাতীয় পশুৰূপে কেতিয়াৰপৰা নিৰ্বাচিত কৰা হৈছিল ?

১০. "উড়ন্ত চকৰি"ৰ কথা পোনপ্ৰথমে কেতিয়া জনা গৈছিল ?

১১. ইতালিদেশৰ প্ৰথম মহিলা-ডাক্টৰ অন্য ক্ষেত্ৰত খ্যাতি লভিছিল। তেওঁৰ নাম ?

১২. জৱহৰলাল নেহ্ৰুৱে কোন কাৰাগাৰত 'ডিছকভাৰি অব্ ইণ্ডিয়া' ৰচিছিল ?

১৩. মাও-জে-দঙে 'পিপলছ ৰিপাবলিক অব চায়না'ৰ ঘোষণা কেতিয়া কৰিছিল ?

১৪. 'স্বৰ্গ-মন্দিৰ' তথা 'টেম্পল্ অব্ হেভেন' চাবলৈ ক'লৈ যাব লাগে ?

১৫. সম্ৰাট আকবৰৰ ৰাজহ-মন্ত্ৰীৰ নাম কি আছিল ?

জা ন ক

১. ৩৯৫'৯ মিটাৰ ;

২. নীলা, হালধীয়া, সেউজীয়া, ৰঙা আৰু ক'লা। পৃথিৱীৰ যিকোনো দেশৰ পতাকাত থকা এটা-নহয়-এটা বৰণ ইয়াত পোৱা যাব।

৩. ছাৰ জগদীশচন্দ্ৰ বসু।

৪. জে. জে. টমছন।

৫. মহাভাৰতত উক্ত ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰী।

৬. দেশবন্ধু চি. আৰ. দাশ।

৭. মৌমাখিক ঈশ্বৰ-প্ৰেৰিত সৌভাগ্যসূচক দূত বুলি ভাবিছিল।

৮. ফিলাডেলফিয়াৰ বেট্ছি ৰছ। তেওঁ মহিলা-সকলৰ বাবে সাজ-পাৰ তৈয়াৰ কৰিছিল।

৯. ১৯৭২ চনৰ নৱেম্বৰ মাহত।

১০. ১৯৪৬ চনৰ ২৪ জুনৰ দিনা।

১১. মাৰিয়া মন্তেছৰি। এইগৰাকীয়ে শিশু-শিক্ষাৰ এক নতুন পদ্ধতি উলিয়াইছিল।

১২. আহ্মেদনগৰ ফোৰ্ট।

১৩. ১৯৪৯ চনৰ ২১ ছেপটেম্বৰৰ দিনা।

১৪. বেজিঙলৈ।

১৫. টোডৰমল।

সোণালী দুৱাৰৰ প্ৰশ্নাৱলী—সংখ্যা ২-ৰ উত্তৰ

১. **আঙ্কোৰ :** ৰজা বিজয়বৰ্মনে আঙ্কোৰ নগৰ নিৰ্মাণ কৰিছিল আৰু তেওঁৰ বংশধৰসকলে ৩০০ বছৰকাললৈকে এই নগৰৰ শ্ৰীবৃদ্ধি কৰিছিল। তাৰ পাছত এসময়ত এই নগৰ পৰিত্যক্ত হৈছিল আৰু ৫০০ বছৰ ধৰি এই নগৰ অৰণ্যৰ মাজত পোত খাই পৰিছিল। তাৰ পাছত—হেনৰি মহতে ৫০০ বছৰৰ পাছত এই নগৰ পুনৰাবিষ্কৃত কৰিছিল। কাষত প্ৰদৰ্শিত গৰুড়-মূৰ্তি এই নগৰৰপৰা প্ৰাপ্ত।

২. **ক'তো পোৱা নাযায় :** ডোডো—বিগত দুশ বছৰৰ আগৰেপৰাই বিলুপ্ত।

৩.

এই ছবিৰজত দেখুৱা সংখ্যাবোৰ হ'ল অন্যান্য সংখ্যাৰ ক্ৰমিক দৰ্পণ—১ সংখ্যাৰপৰা যাব আৰম্ভণ :

৪. **তমাচা :** মহাৰাষ্ট্ৰৰ এক জনপ্ৰিয় গীতি-নাট্য।

৫. **মাছ!** আন্দামানৰ জনজাতীয়ইতে ধনু-কাঁড়েৰে মাছ মাৰে।

৬. সেই মূৰ্তি আনকি এঘণ্টাৰ পাছতো পানীৰ ওপৰতহে থাকিব। কিয়নো—পানী যিমান বাঢ়িব, নাওখনো সিমানেই পানীৰ ওপৰলৈ ওপঙি উঠিব।



ভুমুকিবন্তীৰ পোহৰ

শিৱ আছিল উত্তম শ্ৰেণীৰ ৰান্ধনি। ধনে-ধানে সমৃদ্ধ সকলৰ ঘৰে ঘৰে শুভ-কামত শিৱক সদায় সকলোৱে মাতিছিল। এয়ে আছিল শিৱৰ একমাত্ৰ জীৱিকা। সীতা আছিল শিৱৰ একমাত্ৰ ছোৱালী। তাইৰ পাঁচ-বছৰীয়াতে মাক ঢুকাইছিল। তেতিয়াৰপৰা পিতাক শিৱয়েই তাইক লালি-পালি ডাঙৰ-দীঘল কৰিছিল। শিৱই যেতিয়া ৰান্ধনিৰ কাম কৰিবলৈ গৈছিল, সীতাক লগত লৈ গৈছিল, আৰু তাতেই ছুয়ো খোৱা-বোৱা কৰিছিল। যিদিনা শিৱ ঘৰত থাকিছিল, সিদিনাও নিজ হাতেৰে ৰান্ধি-বাঢ়ি ছোৱালীজনীক অতিকৈ মৰমৰে খুৱাইছিল। কিন্তু ইমান মৰমৰ আঁৰত যিটি ত্ৰুটি হৈছিল, সেই ত্ৰুটি আছিল এয়ে যে—সীতাই ৰান্ধন-বাঢ়নৰ ৰা-বাকে নাজানিছিল।

ৰামু আছিল শিৱৰ নলগল বন্ধু ৰমনৰ ল'ৰা। ৰামুৰ জনমৰ প্ৰায় লগে লগেই তাৰ মাকৰ মৃত্যু হৈছিল, আৰু সামান্য কিছুদিনৰ অন্তত ৰমনো ঢুকোৱাত সৰু ৰামু অথন্তৰত পৰাত বন্ধু শিৱই ৰামুক নিজৰ ঘৰলৈ লৈ আহিছিল। আৰু নিজৰ সন্তানৰ দৰেই আদৰ-যত্নৰে লালি-পালি ডাঙৰ-দীঘল কৰিছিল।

অলপ ডাঙৰ হৈ ৰামুৱে শিৱৰপৰা ৰান্ধন-বাঢ়নৰ প্ৰক্ৰিয়া শিকি ল'লে, আৰু তেতিযাৰেপৰাই বৃদ্ধ শিৱৰ ৰান্ধন-বাঢ়নৰ কামত হাত উজান দিবলৈ ধৰিলে।

এই কথাত শিৱই ৰামুক বৰ ভাল পালে। এদিন শিৱই ৰামুক ক'লে, "আৰে ৰামু, সীতা জনম লোৱাৰ লগে লগেই মই আৰু তোৰ দেউতাৰে মিলি খাটাং কৰিছিলোঁ যে তইঁতৰ যোৰা পতা

সীতাপাত লহকৰ

হ'ব! তইঁতৰ যোৰাখন পাতি দিব পৰাহেঁতেন মই নিঃচিন্ত হ'ব পাৰিলোহেঁতেন।

ৰামুৱে শিৰক তলমূৰ হৈ কৈছিল, "আপোনাৰ যি ইচ্ছা।"

দুমাহৰ পাছত ৰামু আৰু সীতাৰ বিয়াখন হৈ গ'ল। আৰু সিহঁতৰ বিয়াৰ কিছুদিনৰ অন্তত—হঠাৎ হাওঁফাওঁৰ ক্ৰিয়া বন্ধ হৈ শিৰ ঢুকাল।

আৰু তাৰ ফলত — এতিয়া শিৰৰ কামখিনি সম্পূৰ্ণ ভাৱে ৰামুৱেই চম্ভালিবলগীয়াত পৰিল।

ঠিক শিৰৰ দৰেই, সীতাক ৰামুৱেও ৰান্ধি-বাঢ়ি খুৱাইছিল। খাই থাকোঁতে সীতাই প্ৰয়েই কৈছিল, "বেঙেনাৰ আঞ্জাত ইমান জলা দিব নালাগে, নাৰিকলৰ চাটনি বেয়া হোৱা নাই — পিছে তেঁতেলিৰ সলনি নেমুটেঙাৰ ৰস দিয়াহেঁতেন আৰু ভাল হ'লহেঁতেন।" ইত্যাদি নানান মন্তব্য কৰিছিল। মুঠতে—কোনো এপদ বস্তুও 'ভাল' হোৱা বুলি কোৱা নাছিল, হয় ইটো নহয় সিটো কিবা-নহয় কিবা দূষণ ধৰিছিলেই।

কিন্তু বহি-খোৱা ফুকননীৰ দৰে—একো-এটাও নকৰাকৈ বহি বহি খাই থকা সীতাৰ এইবোৰ মন্তব্যই ৰামুৰ মনত ক্ৰমাত অধিককৈ বিৰক্তিহে উৎপাদন কৰিছিল; যদিও—সিহঁতৰ ঘৰতে জনমৰেপৰাই প্ৰতিপালিত হোৱা বাবে লাজকুৰীয়া ৰামুৱে সীতক— মুখেৰে একো নকৈছিল।

এদিন, নিজৰ জন্মদিনত ৰামুৱে সীতাক ৰান্ধিবলৈ ক'লে। কিন্তু মূৰ কামোৰণিৰ অজুহাতত সীতাই ফালৰি কাটিলে। তেতিয়া বাধ্যত পৰি ৰামুৱেই নিজৰ জন্মদিনৰ ভোজ বনালে।

সীতাই পদ-পদাৰ্থবোৰ চাকি চালে আৰু ক'লে, "একেবাৰে ভাল নহ'ল। আনকি চাটনিতো নিমখ বেছি হ'ল, আৰু চেনি কম হ'ল।"

ৰামুৱে তাইক খাবলৈ দিয়া কাঁহীখন টান মাৰি আঁতৰাই দিলে আৰু খঙতে একোনাই হৈ ক'লে, "বোলোঁ ঐ ভূতুনী, ইমানদিনলৈকে তোৰ বৰ বৰ কথা সকলো

চুপচাপ সহ্য কৰিছোঁ; কিন্তু আৰু নোৱাৰিছোঁ মই। তোক ৰান্ধি খুউৰাতকৈ হাবিয়লীয়া ভূত-পিশাচক খুৱাম, তাৰেও মই সুখ পাম। এতিয়াই মই যামগৈ জংগললৈ। তই কি খাবি কি কৰিবি— ক'ত থাকিবি ক'লৈ যাবি— সেইবোৰ কথাত মোৰ আৰু কোনো দায় নাই।"

এই বুলি কৈয়েই ৰামুৱে চোলা এটা পিন্ধি সঁচাসঁচিকৈ তেতিয়াই ঘৰৰপৰা ওলাই গুচি গ'ল।

গিৰিয়েকক ইমান খঙাল হোৱা— সীতাই কদাপি দেখা নাছিল। তাই দমি গ'ল; কিন্তু বাহিৰলৈ ওলাই আহি ৰামুক ক'তো কেনিও দেখা নাপালে। এতিয়া তাই আন একো কৰিব নোৱাৰি বিছনাত দীঘল দি হুক হুককৈ কান্দি থাকিল।

খঙত নিজৰ মগজ নিজে খোৱা যেন হৈ ৰামুৱে গৈ গৈ অটব্য অৰণ্য পালেগৈ। হঠাৎ ৰামুৱে তাৰ পিছফালে কিচ্ কিচ্ কৈ এক বিচিত্ৰ শব্দ শুনি ঘূৰি চায়েই উচপ খাই উঠিল, তাত এটা কঁটীয়া-বজৰু পিশাচে তাৰ মূলাহেন দাঁত নিকটাই নিশৱদে হাঁহি হাঁহি ৰামুলৈ ট্ ট্ কৈ চাই আছে।

পিশাচটোৱে ৰামুক হাঁহি হাঁহিয়েই ক'লে, "সুস্বাগত, সুস্বাগত! নিৰামুহী পিশাচইতৰ ফালৰপৰা ৰান্ধনি ৰামুলৈ আমি হাৰ্দিক স্বাগত জনাইছোঁ।"

ৰামুৱে আচৰিত মানি সুধিলে, "তোমালোকে— তুমি—মই যে ৰান্ধনি মানুহ— কেনেকৈনো জানিলা?"

"এ'তেহে মানুহতকৈ ডাঙৰ। আমাৰ নজ্না নাই, সকলো কৈ দিবাৰ পাৰং— চাই। যেই কি নহওক—আজিৰ দুপৰ ৰাতি আমাৰ চৰ্দাৰৰ ছ'লীৰ বিয়া। সেই বিয়াৰ ভোজ তুমিয়েই তৈয়াৰ কৰিবা দিয়া। মোৰ পিছে পিছে আহাঁ—মই তোমাক আমাৰ চৰ্দাৰৰ ওচ'লে লৈ যাং।"

যেনিবা মুহূৰ্তত পিশাচটোৱে ৰামুক এক জুহাল-চকুৰা প্ৰকাণ্ড ভূতৰ আগত থিয় কৰালে। আৰু সেই ভূতটোক এই পিশাচটোৱে ক'লে ৰামুৰ ৰান্ধনৰ কথা। তেতিয়া জুহাল-চকুৰাই তাৰ সোলামুখৰ

ইকাণ সিকাণ হাঁহিৰে ৰামুলৈ চাই ক'লে, "আ ৰান্ধ্ নি হা, বিয়াৰ ভোজৰ ভাৰ তুমাৰ। তুমাৰ ৰান্ধন যদি ভাল হয়—দৰাপক্ষীয়হঁতে যদি ভাল পায়—আমি তুমাক ঢেচ্ ঢেৰ ধন-সোণ দিম।"

বামুৱে ক'লে, "ধন-সোণৰ কথা পাছতো হ'ব, আগতে ৰন্ধাৰ কথাকে পাতোঁ।—বস্তু চব বঢ়িয়া বঢ়িয়া-পামনে?

"হিঁ—হিঁ—হিঁ—হিঁঃ!" জুহাল-চকুৱাৰ ঘৈণীয়েক এঙাৰিণী-প্ৰেতিনীয়ে কৈ উঠিল, "জগতখনত যি-আছে যি লাগে পাবা, পিছে—যি বনাবা বঢ়িয়াকৈ বনাবা। নহ'লে কিন্তুক—হিঁ—হিঁ—হিঁ—হিঁঃ! বুইছাই নহয়—হেঁ?"

আৰু তেতিয়াহে ৰামুৰ মনত ডৰ-ভয় সোমাল। কিন্তু—এতিয়া আৰু পলাবাৰো সন্ধি নাই। পলাবৰ চেষ্টা কৰিলে—খপ্ কৰে ধৰি কপ্ কৰে গিলি ধ'ব।

যি কি নহওক—জুহাল-চকুৱাই কোৱা মতে ৰামুৱে তাৰ সাধ্যানুযায়ী ভালকৈ ৰান্ধিলে। এই ভূতৰ বিয়াৰ ভোজ খাবলৈ শই শই ভূত অহিল। ইমান ভূত একেলগে দেখা পাই ৰামুয়ে ৰামনাম গাব বুলি ভাবিও বৈ দিলে। যদিহে ইহঁতে তাক মাৰি পেলায়!

দৰা-ভূতে ৰামুৰ ৰান্ধন খাই অতিকৈ ভাল পালে আৰু তাৰ শহুৰেক জুহাল-চকুৱাক ক'লে, "জীৱনকালত, বা মৰণৰ পাছতো এনেকুৱা সোৱাদ খোৱাবস্তু খাই পোৱা নাছিলোঁ। কোনেনো ৰান্ধিলে?"

জুহাল-চকুৱাই গৰ্বৰে ক'লে আনিলোঁ ধৰি ৰান্ধনি এটা মানুহৰ পোৱালি, যেৱে দেখা নাই মৰিশালি।"

দৰা-ভূতে ক'লে, "মোক আন একো নালাগে। আপুনি আপোনাৰ বেটীৰ লগত এই মানুহৰ পোৱালিটোকো মোক দিয়কবছ হৈ যাব।"

"হৈ যাব। বৰ ডাঙৰ কথা নহয় একো। জৰুৰ দিম।" জুহাল-চকুৱাই ৰামুক মাতি আনিবলৈ ক'লে সেই কঁটীয়া-বজৰু পিশাচটোক।

কঁটীয়াৰপৰা, আৰু জুহাল-চকুৱাৰপৰাও, সকলো কথা শুনি ৰামুৱে এইবাৰ

'হনুমন্ত'ৰ নাম সুঁৱৰিবলৈ ধৰিলে। সি জোৰে জোৰে 'হে হনুমন্ত ৰক্ষা কৰা' 'হে হনুমন্ত ৰক্ষা কৰা' বুলি টেঁটু ফালি ফালি চিঞৰি থাকিল।

ক্ৰমে ক্ৰমে তাৰ মাজত ভূত-পিশাচলৈ ডৰ-ভয় একেবাৰে নোহোৱা হ'ল, আৰু এসময়ত দেখা পালে যে তাৰ চাৰিওফালে — ভূত-পিশাচ আৰু এটাও নাই।

আৰু ঠিক তেতিয়াই—সেই ছোৱা না-আন্ধাৰ-না-ফ ৰ কা ল ত উন্নাই ৰাতি পুৱাই আহিবৰো হৈছেহে।

তেতিয়ালৈকো ৰামুৱে ৰামনাম আৰু হনুমন্তৰনাম আওৰাৰেই আছিল, আৰু হাবিৰপৰা মুকলিলৈ বেগাই ওলাই যাবলৈ ধৰিছিল।

হঠাৎ সি এক নাৰীকণ্ঠৰ মাত শুনি বিভ্ৰান্তৰ দৰে ৰৈ দিলে।

আৰু সেই নাৰীজনীলৈ চাই একেবাৰে নিৰ্বাক হৈ দিলে।

এই নাৰীজনী আছিল সীতা। সীতাই তেতিয়া হুক হুকাই কান্দি আছিল। ৰামুৱে ক'লে, "নাকান্দিবা, নাকান্দিবা। এয়া মই—তোমাৰ ৰামু। তুমি কিয় এই ভূতক-পিশাচৰ হাবিলৈ আহিলা?"

"তোমাকেই বিচাৰি। আৰুনো কি আছে মোৰ এই হাবিত? — মোৰ ভুলবোৰ মাফ কৰি দিয়া, আৰু ঘৰলৈ ব'লা। মই আৰু ভুল নকৰোঁ। এতিয়াৰ-পৰা—তুমি খাবা মই ৰান্ধিম, তেহে মই সুখ পাই থাকিম।"

তাৰ পাছত দুয়ো ঘৰলৈ বুলি আগ বাঢ়িল। ৰামুৱে তাৰ বীভৎস ভৌতিক অভিজ্ঞতাৰ কথা সীতাক হাঁহি হাঁহি কৈ থাকিল। তেতিয়া আৰু ভয়-ডৰ নাই ৰামুৰ মনত। সীতাৰ মনতো আৰু খেদ নাই। তেতিয়া পূবে ধলফাট দিছে। সিইঁতহালৰ অন্তৰতো ভুমুকিবন্তীয়ে সকলো সন্দেহ-অবিশ্বাসৰ ভাৰৰ আঁতৰাই ফৰকাল কৰি তুলিছে।

নওৰঙী-বুধি

নওৰং ভুৱনগিৰিৰপৰা ৰামগিৰিলৈ গৈ আছিল। হাতত মস্ত এডাল লাঠি লৈ, মূৰত পাগুৰী মাৰি ওলাল। মাজত এক বিৰাট হাবি আৰু সেই হাবিয়লীয়া বাটত আছিল চোৰৰ বৰ উৎপাত। কিন্তু কোনো উপায়ো নাই, সেই বাটদিয়েই যাব লাগিব। যেতিয়া সেই বিৰাট হাবিডৰা নিৰ্বিঘিনিৰে পাৰ হওঁ হওঁ হ'ল, ঠিক তেতিয়াই চাৰিটা চোৰে—যেনিবা মাটি ফালি উঠি আহি—নওৰঙক আগুৰি ধৰিলে। লগে লগে নওৰঙে তাৰ লাঠিডালেৰেই যাঠিৰ কাম কৰি চোৰ চাৰিটাক বেয়াকৈ ঘাইল কৰিলে, সি নিজেও ঘাইল নোহোৱাকৈ নাথাকিল। কিন্তু জিকিল শেহলৈ সেই চোৰ চাৰিটায়েই, সিহঁতে নওৰঙক গছৰ লগত কটকটীয়াকৈ বান্ধি পেলালে আৰু তাৰ পাছত তাৰ কঁকালত গুচি থোৱা কাপোৰৰ লুচত বান্ধি থোৱা সৰ্বমুঠ সাতটা তামৰ পইচা ৰিচাৰি উলিয়ালে।

চোৰৰ চৰ্দাৰটোও ঘাইল হৈছিল। সি কেঁকাই কেঁকাই ক'লে নওৰঙক, "মাত্ৰ সাতটা তামৰ পইচা লগত লৈ—ইমান মস্ত লাঠিৰে সৈতে ওলাইছা যে—ভাবিবইপৰা নাছিলোঁ। ভাবিছিলোঁ যে—মাল-কড়ি ভালেই পাম। কিন্তু তুমি ফুটাকড়িৰ ফপৰীয়া বুলি জনাহেঁতেন—তোমাৰ কাযকে নাচাপিলোহেঁতেন, আৰু তোমাৰ লাঠিৰ কোবও নাথালোহেঁতেন।"

চাৰিটা চোৰৰ পিটনখোৱা নওৰঙেও কেঁকাই-গোঁথাই ক'লে, "চোৰবিলাক বুদ্ধিমান হয় বুলি শুনিছিলোঁ। তোমালোকে আগতেই মোক গৰা মাৰি ধৰি কি আছে কি নাই—তাৰ খবৰ নল'লা কেলেই? তোমালোকৰ দেহাত বল আছে, পিছে—মগজুত আছে গোবৰ! তোমালোকে ধন বিচাৰি মোৰ সৰ্বশৰীল পিটিকি পিটিকি চালা, পিছে—পাগুৰীটোলৈ মনেই নকৰিলা। তোমালোকে ইমানেই বুদ্ধিহীন বুলি জনাহেঁতেন মযো লাঠিৰে লঠিয়ালঠি নকৰিলোহেঁতেন।"

চোৰকেইটাই তৎক্ষণাৎ নওৰঙৰ পাগুৰী টান মাৰি খুলি পেলালে, আৰু পাগুৰীত লুকুৱাই অনা ৰূপৰ মুদ্ৰাখিনি পাই ৰংমনে হাবিলৈ বুলি খোজ ল'লে।

জগতৰ ভালেই আপোন-ভাল

আনন্দপুৰৰ কান্তিশৰ্মাক আঢ্যৱন্ত বুলিয়েই ক'ব পাৰি। ধনে-ধানে জয় জয় ময় ময়। কিন্তু তেওঁৰ ইমান থাকিও, এটি বস্তু নথকাত একো নথকা যেন হৈছে সন্তান-হীনতাৰ দুখে তেওঁক খুলি খুলি খাইছে।

বহু দিনৰ পাছৰ কথা। আনন্দপুৰ গাঁৱলৈ এজন অলৌকিক শক্তিসম্পন্ন যোগীপুৰুষ আহিল। তেওঁ তিনিদিনতকৈ অধিক দিন কোনো গাঁৱত নাথাকে। সেই তিনি দিনত যেৱে যি বিচাৰে দিয়ে।

যোগীপুৰুষৰ কথা শুনি কান্তিশৰ্মাও যোগীপুৰুষৰ কাষ চাপিল। কান্তিশৰ্মাৰ দুখৰ কথা শুনি যোগীয়ে কান্তিশৰ্মাক গাখীৰ দিলে আৰু ক'লে, "এই গাখীৰ-খিনি তোমাৰ পত্নীক এঢোকতে পি খাবলৈ ক'বা। তোমাৰ ইচ্ছা পূৰ হ'ব।"

গাখীৰখিনি বৰ যত্নৰে লৈ কান্তিশৰ্মাই ঘৰ পালেগৈ। পত্নীক সকলো কথা বুজাই ক'লে। পত্নীয়েও বৰ ভক্তিভাৱেৰে মন্দিৰলৈ গৈ, সেই গাখীৰ দেৱতালৈ আগ কৰি, দুই ঢোকত পি-খালে।

যথাসময়ত কান্তি-পত্নী গৰ্ভৱতী হ'ল, আৰু দুজনী ছোৱালী-সন্তান উপজিল। ছোৱালী দুজনী দেখাত অতি ধুনীয়া, কিন্তু ঘুণীয়া। খোজ দিয়াৰ বয়সতহে কথাটো ধৰা পৰিল। দুয়োজনীৰেই এখনকৈ ভৰি — খোঁৰা, বল-নথকা।

ছোৱালী দুজনীৰ চিকিৎসাৰ বাবে কান্তিশৰ্মাই পানীৰ দৰে পইচা খৰচ কৰিলে, কিন্তু তাৰে কোনো ফল নহ'ল। ল'ৰা হোৱাহেঁতেন ইমান দুখ এই অৱস্থাতো নহ'লহেঁতেন। কিন্তু ছোৱালী



যে !--কি হ'ব ? ভৱিষ্যতত সিহঁত দুজনীক কোনেনো চোৱা-মেলা কৰিব ?

এই কথা এতিয়া পুৰণি হৈ গ'ল। এইদৰে বাৰ বছৰ পাৰ হৈ গ'ল। আৰু তেতিয়া সেই যোগীপুৰুষজনা পুনৰ এবাৰ আনন্দপুৰলৈ আহিল। তেওঁৰ অহাৰ খবৰ পায়েই কান্তিশৰ্মাই যোগীৰ সমুখত দীঘল দি পৰিলগৈ। যোগীয়ে কান্তি-শৰ্মাৰপৰা সকলো শুনাৰ অন্তত ক'লে, "তোমাৰ পত্নীয়েৰাই মোৰ উপদেশ পূৰ্ণ ৰূপে মান্য নকৰাতহে এই বিপত্তি হ'ল। গাখীৰখিনি এঢোকত পি-খোৱাহেঁতেন এই বিপত্তি নহ'লহেঁতেন। যি কি নহওক —কল এটা লৈ যোৱা, কলটো এজন বা এজনীয়েই খাব লাগিব, আৰু তোমাৰ যাক দিবৰ মন যায় তাকে খাবলৈ দিবা।" এই বুলি কৈ, জোলোঙাৰপৰা কলটো উলিয়াই আনি কান্তিশৰ্মাৰ হাতত দি যোগীজন তৎমুহূৰ্ততে তাৰপৰা গুচি গ'ল।

কান্তিশৰ্মাই স্থিৰ কৰিব নোৱাৰিলে যে এই এটা মাত্ৰ কল—কাক দিব। যদি ইজনীক দিয়ে, হয়তো কল খাই তাই ভাল হৈ যাব; কিন্তু সিজনী দোখান লেঙেৰী হৈয়েই থাকিব। আৰু—কলটো ভগাই দুজনীক দিবও নোৱাৰি, যোগীয়ে স্পষ্টকৈ কৈ দিলে। প্ৰতিকে — দৈৱী প্ৰসাদ পায়ো যে ফল নহ'ল—এই কথাই তেওঁৰ মনত তুঁহ-জুইৰ দৰে উমি উমি জ্বলি থাকিল।

ভাবি ভাবি বিষাদ মনেৰে গৈ থাকোঁতে হঠাৎ এক নাৰীকণ্ঠৰ কান্দোনৰ শব্দত কান্তিশৰ্মাই মূৰ দাঙি ঘূৰি চালে। অদূৰতে—এক কুঁৱাৰ কাষত বহি এজনী বিয়া হোৱা যুৱতীয়ে কান্দি আছিল, আৰু ওচৰতে থিয় হৈ যুৱা এজনে যুৱতীজনীক নানান কথাৰে বুজনি দি আছিল।

কান্তিশৰ্মাহেন বয়সস্থ মানুহ এজনক দেখা পাই যুৱাই কান্তিশৰ্মাক ক'লে, "ডাঙৰীয়া, আপুনি অনুগ্ৰহ কৰি তাইক কওকচোন যে—কুঁৱালৈ জঁপিয়াই পৰি আত্মঘাতী হোৱাত সমস্যাৰ সমাধান নহয়, সমস্যা বাঢ়েহে।"

"কথানো কি ?" কান্তিশৰ্মাই সুধিলে।

"কথা হ'ল—এইজনী সৰুৰেপৰাই—ওপজাৰেপৰাই অৰ্দ্ধাঙ্গী — পক্ষাঘাতী আছিল। এওঁৰ বাঁও হাত আৰু সোঁহাত চেতনা-ৰহিত, সোঁ-ভৰিখনতো সামান্য ত্ৰুটি আছে। এইজনীৰ নিকৰুণ অৱস্থালৈ চাই মোৰ মনত পুতৌ উপজিছিল, আৰু মই এওঁক বিয়া কৰাইছিলোঁ। মই কোনো ধনী মানুহ নহওঁ, খাটি-খোৱা মানুহ। মই যিমানখিনি কৰি-ধৰি পাৰোঁ মোৰ জীৱিকাৰ কামলৈ ওলাই যাওঁ, আৰু কামৰপৰা ঘূৰি আকৌ ঘৰুৱা কামত ধৰোঁ। এতিয়া—এওঁৰ ধাৰণা হৈছে এওঁ থকা বাবেহে মোৰ ইমান কষ্ট, আৰু এওঁ নাথাকিলেহে মই আগলৈ তুষ্ট জীৱন পাম। সেইহে মোৰ কষ্ট লাঘৱ কৰিবলৈ হৈ থকাৰ এওঁ আত্মঘাতী লৈছে।" ক্ষন্তেকমান নিমাত পাছত যুৱাই পুনৰ ক'লে, "এইবাৰলৈ মই এওঁক আত্মঘাতী হোৱাৰপৰা কথমপি ৰক্ষা কৰিব পাৰিলোঁ, কিন্তু মই ঘৰত নথকাত যদি কিবা কৰেই—কেনেকৈনো ৰক্ষা কৰিম। তেতিয়া বাধ্যত পৰি মইয়ো আত্মঘাতীকে হ'ম।"

কান্তিশৰ্মাই যোগীপুৰুষে দিয়া সেই কলটো এইজনী যুৱতীক খাবলৈ দিলে। তেওঁ যুৱতীক ক'লে, "কলটো তুমিয়েই খোৱা। পাছত মই পৰামৰ্শ দিম।"

যুৱতীয়ে কলটো খালে। আৰু লগে লগে তাইৰ মাজত অভাৱিত পৰিৱৰ্তনৰ সৃষ্টি হ'ল। যুৱতীয়ে বহাৰপৰা উঠি থিয় দিলে, আৰু আৰু দুয়োখন হাত অতি স্বাভাৱিকভাৱে যোৰ কৰি কান্তিশৰ্মাক দীঘল দি প্ৰণাম কৰিলে।

তাৰ পাছত—তেওঁৰ নিজৰ অপাৰ সুখৰ মাজতো তৃপ্ত কান্তিশৰ্মা ঘৰলৈ উভতি গ'ল, আৰু তেওঁক দেখা পায়েই ছোৱালী দুজনী দৌৰি দৌৰি তেওঁৰ ওচৰলৈ আহিল। সিহঁতেও সিহঁতৰ বেমাৰ হঠাৎ ভাল হৈ যোৱাৰ কথা চিঞৰি-বাখৰি কোৱাত অলৰ-অচৰ যেন হৈ পৰা কান্তিশৰ্মাই ঈশ্বৰৰ লীলাৰ কথা ভাবি থাকিল।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৬ চনৰ নভেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব।

S.G. Seshagiri



Mahantesh C. Morabad

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৬ চনৰ ছেপ্টেম্বৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৬ চনৰ জুলাই মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

অনিবাৰ্য্য কাৰণত এইবাৰৰ পুৰস্কাৰ স্থগিত থাকিল।

ভাৰতত বছৰেকীয়া বৰঙনি চান্দমামা ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exlusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A., WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

CHANDAMAMA (Assamese) September 1996 Regd. No. TN / MS (S) 87

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়। বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/110as